www.newsnextone.com

# e সংবাদ

MONDAY, JANUARY 13, 2025 ■ সোমবাৰ, ২৮ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৯ Guwahati, Assam ।। মূল্যঃ এটকা

## তিতাবৰত বন্ধুৱে কাঢ়িলে বন্ধুৰ প্ৰাণ

ই-সংবাদ, তিতাবৰ, ১২ জানুৱাৰীঃ এক লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনাই তিতাবৰৰ মাধপুৰ ৪ পৃষ্ঠাত চাওক

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39



বিহুলৈ সাজু মাজুলীৰ এঠা দৈ, ফটোঃ পৰাণ

## আৰক্ষীৰে সংঘৰ্ষত নিহত ৩ মাও উগ্ৰপন্থী

**ৰায়পুৰ, ১২ জানুৱাৰীঃ** ছত্তীশগড়ৰ বিজাপুৰত শেহতীয়াকৈ বৃদ্ধি পোৱা মাওবাদীৰ কুটাঘাতৰ ৪ পৃষ্ঠাত



শিলসাঁকোত উচ্ছেদিতৰ প্ৰতিবাদ

## ভূঞাৰ নেতৃত্বত আকৌ বৈঠকত বহিল অখিল-লুৰীণ

**ই-সংবাদ বিশেষ, ১২ জানুৱাৰীঃ** ডিমা হাছাও জিলাৰ উমৰাংছুত শাসকীয় দলৰ একাংশ ছিণ্ডিকেট মাষ্টাৰ নেতাৰ পৃষ্ঠপোষকতাত অবৈধ কয়লাৰ খনন চলি থকাৰ সময়তে কয়লাখনিত ৯ দৰিদ্ৰ শ্ৰমিক আবদ্ধ হোৱাৰ পিছৰে পৰা অসমৰ কয়লাৰ অবৈধ খনন আৰু কয়লাৰ ছিণ্ডিকেটক লৈ তীব্ৰ ৪ পৃষ্ঠাত

## নিথৰ দেহ হৈ কোকৰাঝাৰ পালে খুশিমোহন ৰায়

**ই-সংবাদ, কোকৰাঝাৰ, ১২ জানুৱাৰীঃ** উমৰাংছুৰ কয়লাখনিত আবদ্ধ হোৱা শ্ৰমিক খুশিমোহন ৰায়ৰ মৃতদেহ উদ্ধাৰ হোৱাৰ পিছত শোকত ভাগি শেষাংশ ৪ পৃষ্ঠাত

## আজিও গাঁতত আবদ্ধ পাঁচ শ্ৰমিক

**ই-সংবাদ, ১২ জানুৱাৰীঃ** ৰাজ্যৰ চৌদিশে ভোগালীৰ ভোগৰ যা-যোগাৰ কৰিবলৈ পূৰ্ণ ব্যস্ততা। বজাৰত মানুহৰ ৫ পৃষ্ঠাত চাওক

## মূল্যবৃদ্ধিৰ মাধমাৰ, আধুনিকতাৰ কৰাল গ্ৰাস

# এনেকৈয়ে ভোগালী

**ই-সংবাদ, ১২ জানুৱাৰীঃ** এয়া অসমীয়া জাতিৰ বাবে হেঁপাহৰ সময়। গোটেই বছৰযোৰা ব্যস্ততাৰ মূৰকত পথাৰৰ পৰা সোণগুটি চপাই ভৰাল ভৰাইছে। সোণগুটি চপাই বিধে বিধে শাক-পাচলিৰ খেতি কৰিছে। অসমীয়াৰ পদূলিত হেঁপাহৰ মাঘৰ উৰুকা। অসমীয়া ৬ পৃষ্ঠাত চাওক



## উৰুকাৰ পূৰ্বে শুৱালকুছিত হিমন্ত

**ই-সংবাদ শুৱালকুছি, ১২ জানুৱাৰীঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উৰুকাৰ পূৰ্বে নিজ সমষ্টি জালুকবাৰীত আজি দুটাকৈ কাৰ্যসূচীত অংশগ্ৰহণ শেষাংশ ৩ পৃষ্ঠাত

## কেবিনেটলৈ সাজু মৰিগাঁওবাসী

**ই-সংবাদ, মৰিগাঁও, ১২ জানুৱাৰীঃ** ভোগৰ উৎসৱ ভোগালীৰ ৰহঘৰাৰ মাজতে মাঘমাহৰ দ্বিতীয় দিনা অৰ্থাৎ ১৬ জানুৱাৰীত মৰিগাঁৱত শেষাংশ ২ পৃষ্ঠাত

### ৰঙিয়াৰ বৰদ'লত মুখ্যমন্ত্ৰী

## নিহত ধৰ্মেন্দ্ৰৰ পৰিয়ালক সাক্ষাৎ, তদন্তৰ আশ্বাস



**ই-সংবাদ, ৰঙিয়া, ১২ জানুৱাৰীঃ** নৱবৰ্ষৰ প্ৰাক্কক্ষণত বনভোজস্থলীত সাধাৰণ ঘটনাক কেন্দ্ৰ কৰি সংঘটিত ধৰ্মেন্দ্ৰ নাথ নামৰ যুৱকজনে একাংশ ৩ পৃষ্ঠাত চাওক

## পঞ্চায়ত নিৰ্বাচন পাতিবলৈ ক'ৰ্টৰ অনুমতি

**ই-সংবাদ বিশেষ, ১২ জানুৱাৰীঃ** অৱশেষত আঁতৰিল আইনী বাধা, প্ৰশস্ত হ'ল পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাট। গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি বিধানসভা সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছতে পঞ্চায়ত এলেকা নিৰ্ধাৰণত খেলি-মেলি ৫ পৃষ্ঠাত চাওক

## বিশেষ ঘোষণা

মাঘ বিহু উপলক্ষে আজি আৰু কাইলৈ আমাৰ কাৰ্যালয় বন্ধ থাকিব। সেয়ে ১৪ আৰু ১৫ জানুৱাৰী সংখ্যাৰ 'ই-সংবাদ' প্ৰকাশ নাপায়। পৰৱৰ্তী সংখ্যাৰ কাকত প্ৰকাশ পাব অহা ১৬ জানুৱাৰীত।

### ভকতচাপৰিৰ গুৰেৰে ভৰিছে ডিব্ৰুগড়, শিৱসাগৰৰ বজাৰ

## উজনিত বাঢ়িছে মাজুলীৰ এঠা দৈৰ চাহিদা

**পৰাণজ্যোতি বৰা, মাজুলী, ১২, জানুৱাৰীঃ** অসমীয়াৰ জনজীৱনৰ বাপতি সাহোন ভোগালী বিহু উদযাপনক লৈ উখল-মাখল পৰিৱেশ ৰাজ্যত। আঘোণৰ পথাৰৰ শালি, বাওঁ সোণোৱালী শইচ চপাই ভোগৰ উৎসৱ ভোগালী বিহু উলাহ-মালহেৰে পালনৰ বাবে সাজু উঠিছে। কাইলৈ ভোগালীৰ উৰুকা। ২ পৃষ্ঠাত

বিহু বুলি কাঠ আলু খন্দাত ব্যস্ত মাজুলীৰ চহা কৃষক



■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উজনিত বাঢ়িছে মাজুলীৰ এঠা দৈৰ

সকলোৱে নিজৰ বাৰী তথা পথাৰত থকা কাঠ আলু, ৰঙা আলু, মাটিমাহ আদি ভোগৰ সামগ্ৰী ভোগালী উৰুকা নিশাৰ বাবে সাজু কৰিছে। গাঁৱৰ ডেকা যুৱক সকলৰ মাজত ভেলাঘৰ সজা, মেজি খৰি কটা, মেজি সজা আদিৰ প্ৰতিযোগিতা চলিছে। মাজুলীৰ গাঁৱে গাঁৱে ডেকাসকলে ভেলাঘৰ সমূহ উৰুকাৰ নিশা লগে ভাগে এসাঁজ খাবলৈ সাজু কৰি তুলিছে। গাঁওসমূহত ঘৰে ঘৰে ঢেঁকীৰ গুম, গুম শব্দ। তিনি চাৰি গৰাকী জীয়ৰী, বোৱাৰী লগ হৈ সান্দহ, চিৰা, তিল, পিঠাগুৰি খুন্দাত ব্যস্ত। মাজুলীত উৎপাদিত থলুৱা সামগ্ৰীৰে ৰাজ্যৰ বিভিন্ন বজাৰত চাহিদা পূৰণ কৰিবলৈ সক্ষম হৈছে। মাজুলীৰ বজাৰত কৃষকৰ উৎপাদিত মাটিৰ দাইল, ৰঙা চাউল, গুৰ, তিল, আঠা দৈৰে ভৰি পৰিছে। মাজুলীৰ দক্ষিণপাট, জেংৰাই, নামনি মাজুলীৰ আঠা দৈয়ে মাজুলীবাসীৰ চাহিদা পূৰণ কৰাৰ লগতে মাজুলীৰ বাহিৰৰ বিভিন্ন ঠাইতো সমাদৃত হৈছে। মাজুলীৰ উক্ত অঞ্চলৰ দৈ বুলি ক'লে এক সুকীয়া পৰিচয় আছে। উক্ত অঞ্চলৰ দৈ-ক্ৰীমে দখল কৰিছে ভোগালীৰ বজাৰ। নামনি মাজুলীৰ নগেন কাকতিৰ আঠা দৈ মাজুলীৰ লগতে ৰাজ্যৰ বিভিন্ন বজাৰলৈ গৈছে। নগেন কাকতিয়ে নিজৰ ঘৰত দৈ প্ৰস্তুত কৰাৰ লগতে মাজুলীৰ কমলাবাৰীত গাখীৰৰ মহলৰ জৰিয়তে ভোগালী বিহুত বিক্ৰী কৰিবৰ বাবে প্ৰায় ১০ মোন দৈ গাখীৰ প্ৰস্তুত কৰিছে। সৰু-বৰ ৫০০টা টেকেলিত প্ৰস্তুত কৰিছে মিঠা আঠা দৈ। আঠা দৈ সংগ্ৰহ কৰিবৰ বাবে কাকতিৰ মহল বা ঘৰত ভিৰ কৰিছে ৰাইজে। এনেদৰেই ভোগালী বিহুত ৰাইজৰ বাবে উলিয়াই দিছে দৈ। মাজুলীৰ ঘৰে ঘৰে উৎপাদিত জৈৱিক কাঠ আলুৱেও এতিয়া ভোগালী বজাৰ দখল কৰিছে। মাজুলীৰ লাহলিয়াল গাঁৱৰ হেমন্ত বৰাৰ বাৰীত প্ৰায় ২৪ কেজি কাঠ আলু খান্দি বজাৰলৈ উলিয়াই দিছে। আনহাতে মাজুলীৰ ভকত চাপৰিৰ গুৰে দখল কৰিছে ভোগালী বজাৰ। মাজুলীৰ বিভিন্নখন বজাৰত ভকত চাপৰিৰ গুৰ ভৰি পৰাৰ লগতে উজনি অসমৰ যোৰহাট, গোলাঘাট, শিৱসাগৰ, গৌৰীসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া, ডিমৌ, মৰাণ, উত্তৰ অসমৰ লখিমপুৰ, ধেমাজি, ঢকুৱাখানাকে ধৰি অসমৰ অন্যান্য স্থানত মাজুলী ভকত চাপৰিৰ গুৰে সুকীয়া চাহিদা লাভ কৰিছে। ভকত চাপৰিত এতিয়া ভিৰ কৰিছে বিভিন্ন ঠাইৰ বেপাৰীসকল। ভকতচাপৰিৰ ১৬ খন গাৰৰ চাৰি শতাধিক পৰিয়ালে দিনে নিশাই কুঁহিয়াৰ উৎপাদন কৰি ভোগালীৰ বজাৰলৈ উলিয়াই দিছে। ভোগালী বিহু উদযাপনক লৈ উখল-মাখল নদী দ্বীপ মাজুলী।মাজুলীৰ বিল জলাশয়সমূহত থকা থলুৱা মাছেৰে মাজুলীবাসীয়ে ভোগালীৰ উৰুকাৰ নিশা লগে-ভাগে খাই উদযাপন কৰিব হেঁপাহৰ ভোগালী বিহু। মাজুলীৰ সত্ৰ অনুষ্ঠানসমূহতো পৰম্পৰা ৰক্ষা কৰি উদযাপিত হব ভোগালী বিহু। এনেদৰে এতিয়া মাজুলীৰ সৰ্বত্ৰে হেঁপাহৰ ভোগালীক লৈ দেখা গৈছে আনন্দ-উলাহ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কেবিনেটলৈ সাজু মৰিগাঁওবাসী

বহিব অসমৰ মন্ত্ৰী পৰিষদৰ সভা। ন্যায়ালয়ে ম'হযুঁজ নিষিদ্ধ কৰি জাৰি কৰা হুকুমৰ পৰিপ্ৰেক্ষিতত মৰিগাঁৱত ম'হযুঁজ প্ৰেমীসকলক হতাশ কৰিছে যদিও মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিহুৰ মাজতে মন্ত্ৰী পৰিষদৰ সভা মৰিগাঁৱত অনুষ্ঠিত কৰিবলৈ লোৱা সিদ্ধান্তত কেৱল প্ৰশাসনিক স্তৰতেই নহয় মৰিগাঁও জিলা বাসীৰ মাজতো প্ৰবল উৎসাহ উদ্দীপনাৰ সঞ্চাৰ হৈছে। জিলা বাসীয়ে একাগ্ৰচিত্ৰে আশা কৰিছে মুখ্যমন্ত্ৰীয়ে পশ্চাদপদ জিলাখনৰ সৰ্বদিশৰ আন্তঃগাথঁনি উন্নয়নৰ বাবে এক বিশেষ অৰ্থনৈতিক পেকেজ ঘোষণা কৰি জিলাবাসীৰ আশা আৰু আৱেগক মান্যতা দিব। প্ৰাপ্ত তথ্য মতে মৰিগাঁৱৰ জিলা আয়ুক্ত কাৰ্যালয় সংলগ্ন সন্মিলন কক্ষতেই ১৬ জানুৱাৰীৰ পুৱা ১০.৩০ বজাত বহিব মন্ত্ৰী পৰিষদৰ সভা। মন্ত্ৰীসহ ২৫ গৰাকী ব্যক্তিয়ে এই সভাত যোগদান কৰিব বুলি জানিব পৰা গৈছে। বিভাগীয় মুৰব্বী, বিষয়াসকলৰ বাবে আসন সংৰক্ষিত হ'ব জিলা আয়ুক্ত বহা কাৰ্যালয়ৰ কোঠাত। কেৱল আয়ুক্ত কাৰ্যালয়েই নহয় মৰিগাঁও নগৰখন সজাই-পৰাই তোলাত বিশেষ উদ্যোগ আৰু পদক্ষেপ গ্ৰহণ কৰিছে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। প্ৰস্তুতিৰ সকলো দিশ তদাৰকী কৰিছে স্থানীয় মন্ত্ৰী পীযুষ হাজৰিকাই। ইফালে মন্ত্ৰী পৰিষদৰ সভাৰ পিছতেই মুখ্যমন্ত্ৰীৰ নেতৃত্বত মন্ত্ৰীসকলে পৰিদৰ্শন কৰিব জাগীৰোড ছেমি কণ্ডাক্টৰ প্ৰকল্প। তাৰ পাছত মধ্য অসমৰ ঐতিহ্যমণ্ডিত তিৱা গোভা ৰজাৰ জোনবিল মেলাত তিৱা ৰজাসকলৰ লগত মত বিনিময় কৰিব মন্ত্ৰী পৰিষদে। উল্লেখ্য মৰিগাঁও আৰু দৰং সংযোগী ৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰৰ ওপৰৰ দলং খনৰ মৰিগাঁও ফালৰ আৰম্ভণি স্থান ভূৰাগাও পৰিদৰ্শন কৰিব মন্ত্ৰী পৰিষদে। তাৰ পাছত এশিত্ৰীয়া গঁড়ৰ বাসভূমি পবিতৰা পৰিদৰ্শন কৰিব মুখ্যমন্ত্ৰীয়ে। জানিব পৰা মতে এশবছৰীয়া বিদ্যালয়,প্ৰাদেশীকৃত মহাবিদ্যালয়সমূহ আৰু কেইবাখনো সত্ৰলৈ বিত্তীয় অনুদান আগবঢ়োৱা সম্ভাৱনা আছে। উল্লেখ্য ডঃ হিমন্ত বিশ্ব শৰ্মাৰ আমোলতেই ছেমি কণ্ডাক্টৰ উদ্যোগ জাগীৰোডত স্থাপন হোৱাৰ ফলত দেশৰ পৰিধি ভেদি উদ্যোগিক ক্ষেত্ৰত আন্তৰ্জাতিক মানচিত্ৰত অসমে স্থান লাভ কৰিছে। মেডিকেল কলেজ স্থাপন, জাগীৰোডত ৰেলৰ আলিৰ ওপৰত উৰণীয়া সেঁতু সম্পূৰ্ণ কৰণ, জাগীভকতগাঁৱত পকী দলং নিৰ্মাণে মৰিগাঁও জিলাৰ আন্তঃগাথঁনি বহু পৰিমাণে উন্নত কৰি তুলিছে। এতিয়া মৰিগাঁওবাসীয়ে আন এক অৰ্থনৈতিক পেকেজ প্ৰদানৰ আশা কৰিছে।

**■ গোবিন্দ গীতা সত্ৰৰ অনুদানৰ বাবে মুখ্যমন্ত্ৰীক জনালে আবেদনঃ**

মৰিগাঁও নগৰৰ মাজমজিয়াত স্থিত গোবিন্দ ভৱন গীতা সত্ৰ আধ্যাত্মিক আৰু বৈষ্ণৱ সংস্কৃতিৰ চৰ্চা কেন্দ্ৰ হিচাপে সুপ্ৰতিষ্ঠিত। শ্ৰী মৎ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰীৰ দ্বাৰা প্ৰতিষ্ঠিত সত্ৰখনত বৰ্তমান নিয়মীয়া উপাসনা হয়। ১৯৩৪ চনত এই আদি সত্ৰ খন স্থাপিত হয়। বৰ্তমান উত্তৰ বংগকে ধৰি ৫৪ খন গোবিন্দ ভৱন গীতা সত্ৰ আছে। মৰিগাঁৱৰ সত্ৰ খনৰ চৌহদত পৰ্যাপ্ত পৰিমাণে ভুমি আছে যদিও আন্তঃগাথঁনি যথোপযুক্ত নহয়। সত্ৰ খনত অতিথি শালা আৰু সভাগৃহ অতি জৰুৰী প্ৰয়োজন হৈ আছে। মৰিগাঁৱৰ গোবিন্দ ভৱন গীতা সত্ৰৰ পৰিচালনা সমিতিৰ সভাপতি ডম্বৰুধৰ বৰদলৈ আৰু সম্পাদক শান্তিৰাম পাটৰে অতিথিশালা আৰু সভাগৃহৰ এক দুমহলীয়া ভৱন নিৰ্মাণ কৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক পুঁজি আবন্টন দিবলৈ সংবাদ মাধ্যমৰ জৰিয়তে আবেদন জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰক্ষীৰে সংঘৰ্ষত নিহত ৩ মাও

মাজতে পুনৰ আৰম্ভ হৈছে নিৰাপত্তা বাহিনীৰ মাওবাদী বিৰোধী অভিযান। আৰক্ষীয়ে সদৰী কৰা মতে, দেওবাৰে বিজাপুৰত নিৰাপত্তাৰক্ষীৰ অভিযানৰ সময়ত সংঘটিত সংঘৰ্ষত নিহত হয় তিনিজন মাওবাদী। অৱশ্যে নিহত মাওবাদী কেইজনৰ পৰিচয় এতিয়াও চিনাক্ত কৰা হোৱা নাই। অভিযানৰ সময়ত বিজাপুৰ অঞ্চলৰ পৰা বৃহৎ পৰিমাণৰ আগ্নেয়াস্ত্ৰ আৰু বিস্ফোৰক উদ্ধাৰ কৰা হয়। বিজাপুৰ ৰাষ্ট্ৰীয় উদ্যানৰ ঘন বনাঞ্চলত এতিয়াও অভিযান অব্যাহত আছে। ইয়াৰ পূৰ্বে শনিবাৰে বিজাপুৰ অঞ্চলত সংঘটিত বিস্ফোৰণত আহত হয় এজন চি আৰ পি এফ জোৱান। তেওঁক জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। এই ঘটনাৰ পিছতে নিৰাপত্তাৰক্ষীয়ে জংঘলত অভিযান চলায়। সেই অভিযানৰ ফলত তিনিজন মাওবাদী নিহত হোৱা বুলি আৰক্ষীয়ে দাবী কৰিছে। মাওবাদী শাখা পি এল জি এয়ে বিগত কেইমাহমানৰ ভিতৰত বিজাপুৰ জিলাৰ পাহাৰীয়া আৰু বনাঞ্চলত কেইবাটাও আক্ৰমণ সংঘটিত কৰিছে। এই সংগঠনটোৱে জিলা ৰিজাৰ্ভ গাৰ্ডৰ আঠজন জোৱান আৰু এজন বাহন চালকক হত্যা কৰে। মাওবাদীৰ লেণ্ডমাইনে উৰুৱাই দিয়ে নিৰাপত্তাৰক্ষীৰ এখন বাহন। মন কৰিবলগীয়া যে বিজাপুৰৰ বনাঞ্চলত পুতি থোৱা আই ই ডি বিচাৰি যোৱা ডিচেম্বৰৰ পৰা ২০৬টা বিস্ফোৰক উদ্ধাৰ কৰা হৈছে। চলিত বৰ্ষত মাওবাদীয়ে সংস্থাপন কৰা বোমাত ৮ জন আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ মৃত্যুৰ ঘটনাই উদ্বেগ প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উৰতকাৰ পূৰ্বে শুৱালকুছিত হিমন্ত

কৰে। বংশৰৰ শংকৰদেৱ শিশু বিদ্যা নিকেতন ৰূপালী জয়ন্তী বৰ্ষ আৰু চাংসাৰিত মেধাৱী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা তথা বৃত্তি প্ৰদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। বংশৰৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ৰূপালী জয়ন্তী মহোৎসৱৰ আৰম্ভণি অনুষ্ঠান মুকলি সভাত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰে মুখ্যমন্ত্ৰীয়ে। কেইবা শতাধিক ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ উপস্থিতিত অনুষ্ঠিত মুকলি সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কেবাটাও গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে ভাষণত কয় যে গুণী-জ্ঞানীসকলে অতীতৰ স্মৃতিৰে ভৱিষ্যতৰ সৌধ নিৰ্মাণ কৰে। আজিৰ পৰা পচিশ বছৰ আগতে যি সকল গুণী-জ্ঞানীৰ প্ৰচেষ্টাত বংশৰ অঞ্চলত প্ৰতিষ্ঠা কৰা শংকৰদেৱ শিশু বিদ্যা নিকেতন আজি এক মধুৰ ফল লাভ কৰিবলৈ সক্ষম হৈছে। এতিয়া আকৌ পঞ্চাশ বছৰৰ বাবে সপোন দেখিব লাগিব। এই সপোন হ'ব প্ৰকৃত মানৱ সম্পদ গঢ়াৰ সংকল্প। বিদ্যালয়খন জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাস্থলীলৈ ৰূপান্তৰ হ'ব লাগিব। হিমন্ত বিশ্ব শৰ্মাৰ ছাত্ৰ-ছাত্ৰীসকলে সপোন দেখিব লাগিব বুলি কৈ কয় যে সপোন সিদ্ধিলৈ ৰূপান্তৰ কৰিবলৈ হ'লে বুকুত সাহস থাকিব লাগিব। যি সকল ছাত্ৰ-ছাত্ৰীয়ে নিজৰ লক্ষ্য আৰু সপোনৰ লগত নিবিড়ভাৱে জড়িত হৈ লক্ষ্য প্ৰাপ্তিৰ বাবে গভীৰ অধ্যয়নত ব্ৰতী হৈ থাকে তেনে ছাত্ৰ-ছাত্ৰীৰ লক্ষ্যস্থান প্ৰাপ্তত কোনো অসুবিধা নাথাকে। আমাৰ সমাজখন দ্ৰুত গতিত পৰিৱৰ্তন হৈছে। আগতে আমি যি কোনো কাম কৰাৰ কথা ভাবিছিলো আৰু ভবা কথাবোৰ কৰাৰ বাবে সময়ৰ প্ৰয়োজন আছিল। কিন্তু আজিৰ বিজ্ঞানে ভবা কথাবোৰ হাততে তুলি দিছে। এটা সময়ত আমি কবিতা, গল্প আদি লিখিবলৈ কিছু সময়ৰ প্ৰয়োজন হৈছিল। কিন্তু আজি কালি কম্পিউটাৰৰ ভবা কথাটো লিখি দিলেই মাত্ৰ ৩০ চেকেণ্ডৰ ভিতৰত লেখাটো উলিয়াই দিব। বিজ্ঞানে আমাৰ চিন্তাক লগে লগে বাস্তৱলৈ ৰূপান্তৰ কৰিব পাৰে। ইয়াক কৃত্ৰিম বুদ্ধিমত্তা বুলি কয়। কিয়নো যিটো কাম কম্পিউটাৰে কৰিছে সেই কামটো আমি কৰা নাই। ঠিক তেনেদৰে চিকিৎসা কাৰ্যটো কম্পিউটাৰে ৰৰ্বটৰ জৰিয়তে কাম সিদ্ধি কৰে। মাত্ৰ কম্পিউটাৰটো চলাবলৈ মানুহৰ প্ৰয়োজন। কাৰণ কম্পিউটাৰে নিজে একো নকৰে, আমি যিটো কৰিব কম সেইটোহে কৰিব। বৰ্তমান আধুনিক বিজ্ঞানৰ দিনত জ্ঞান চিন্তা চৰ্চা আৰু গভীৰতা বহুত গুণ বৃদ্ধি পাইছে। ছাত্ৰ-ছাত্ৰীসকলে সদায় অনুসন্ধিৎসু মনৰগৰাকী হ'ব লাগিব বুলি কৈ সমষ্টি বিধায়ক ড০ শৰ্মাই আৰু কয় যে মহাবিদ্যালয়সমূহত শিক্ষকসকলে পঞ্চম শ্ৰেণীৰ পৰা কৃত্ৰিম বুদ্ধিমত্তাৰ বিষয়ে শিকাব লাগিব। বৰ্তমান দেশত থ্ৰী ডি পিংক আহিছে। এতিয়া মিস্ত্ৰীয়ে ঘৰ নিৰ্মাণ কৰিব নালাগে। থ্ৰি ডি পিংকে সাচত বহুৱাই ঘৰ নিৰ্মাণ কৰি দিব। এতিয়া বিজ্ঞান আৰু আধুনিক বিজ্ঞানৰ চিন্তাচৰ্চা কৰিব লাগিব। সমাজত পূৰ্ণাংগ মানৱ সম্পদৰহে প্ৰয়োজন। অৰ্ধ পূৰ্ণাংগ মানৱ সম্পদ বোৰ হ'ল ঘৰ আৰু সমাজৰ বোজা। এওঁলোকে প্ৰকৃত কামৰ সন্ধান নাপায় হীনমন্যতাত ভোগে, আন্দোলন আদি কৰি বাট-পথত ঘুৰি ফুৰে। লগতে সমাজৰো অন্যায় কৰে। বিদ্যালয়ত যোগ, প্ৰাণায়ম, দবা আদি শিকাব লাগে। আনহাতে শিক্ষক শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীত সমূহীয়াভাৱে কিতাপ পঢ়িব দিলে ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়াৰ ধাউতি বৃদ্ধি পাব বুলিয়ো তেওঁ কয়। বিদ্যালয়খনৰ উন্নয়নত পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি দিগাম্বৰ নাথৰ সভাপতিত্ব অনুষ্ঠিত মুকলি সভাত কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, শুৱালকুছি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ দীপেশ চন্দ্ৰ ভাগৱতী, শিশু শিক্ষা সমিতিৰ সম্পাদক জগন্নাথ ৰাজবংশী, সাংবাদিক ড০ কুমুদ দাস, ৰাজ্যিক বিজেপিৰ অনুসুচিত জাতি মৰ্চাৰ উপ-সভাপতি প্ৰকাশ দাস উপস্থিত থাকে। অনুষ্ঠানৰ আঁতধৰে সম্পাদক অজিত কুমাৰ বৈশ্যই। ২০২৪ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ জালুকবাৰী বিধানসভা সমষ্টিৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা তথা বৃত্তি বিতৰণ কৰে। কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলৰ লগতে তেওঁলোকৰ পিতৃ-মাতৃ আৰু অভিভাৱকসকলক অভিনন্দন জনায়। জালুকবাৰীৰ সমষ্টিৰ মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সন্মানাৰ্থে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি নৱপ্ৰজন্মক কঠোৰ পৰিশ্ৰম কৰিবলৈ আহ্বান জনাই কয় যে ভাৰতবৰ্ষক বিশ্বগুৰু হিচাপে উজলাই তুলিবলৈ অমৃত কালৰ অমৃত সন্তান হিচাপে অধ্যয়ন, আত্মবিশ্বাস, অনুশাসন আৰু কঠোৰ পৰিশ্ৰম চৰকাৰ। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে একবিংশ শতিকাৰ প্ৰতিযোগিতা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ মানসিকতা, দক্ষতা আৰু জ্ঞান আহৰণত গুৰুত্ব প্ৰদান কৰি নিজকে প্ৰস্তুত কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিহত ধৰ্মেন্দ্ৰৰ পৰিয়ালক সাক্ষাৎ

ক্ষমতাৰ ৰাগীত মাতালৰ নিষ্ঠুৰ জিঘাংসাৰ বলি হৈ অকাল মৃত্যুক সাবতি লোৱাৰ পিছত আজি শোকসন্তপ্ত পৰিয়ালবৰ্গক সাক্ষাৎ কৰাৰ উদ্দেশ্য ৰঙিয়াৰ দক্ষিণ বৰদলৰ বাসগৃহত উপস্থিত হয় ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। বিয়লিৰ ভাগত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ধৰ্মেন্দ্ৰ নাথৰ পৰিয়ালবৰ্গক সাক্ষাৎ কৰি উক্ত বৰ্বৰ ঘটনা সন্দৰ্ভত আলোচনাত মিলিত হয়। আলোচনা কালত পিতৃ-মাতৃ সমন্বিতে পৰিয়ালবৰ্গই জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই উক্ত অমানৱীয় ঘটনাৰ লগত জড়িত দোষীক উচিত শাস্তি প্ৰদানৰ আশ্বাস প্ৰদান কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। আনহাতে আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়ালটোলৈ আগবঢ়োৱা সাহায্যক অংশ হিচাপে পিতৃৰ হাতত পাঁচ লাখ টকাৰ চেক প্ৰদান কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীক সংগ দিয়ে ৰঙিয়াৰ স্থানীয় বিধায়ক তথা বিজেপি দলৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই। উল্লেখ্য যে নৱবৰ্ষৰ প্ৰাকক্ষণত ধৰ্মেন্দ্ৰ নাথে বাসগৃহৰ সমীপৱৰ্তী মালধাপাৰা আশ্ৰমলৈ বনভোজ খাবলৈ আহি আন এটি ৯ জনীয়া বনভোজ দলৰ সৈতে সাধাৰণ কাজিয়াৰ সূত্ৰপাত হৈছিল। উক্ত ঘটনাৰ পাছতে ৰহস্যজনকভাৱে নিখোজ হৈ আছিল ধৰ্মেন্দ্ৰ নাথ। ২৫ ডিচেম্বৰৰ পৰা নিখোজ হৈ থকা ধৰ্মেন্দ্ৰ নাথৰ মৃতদেহ ৰহস্যজনক ভাৱে ৩০ ডিচেম্বৰৰ দিনা বনভোজস্থলীৰ সমীপৰ এটা পুখুৰীত উদ্ধাৰ কৰা হৈছিল। এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোৰ ৰাইজে ঐক্যবদ্ধভাৱে ৰঙিয়া থানাৰ চৌহদ তীব্ৰ প্ৰতিবাদেৰে উত্তাল কৰি তুলিছিল। উত্তেজিত ৰাইজৰ প্ৰতিবাদ কালত সমগ্ৰ ৰঙিয়া নগৰত চেপা উত্তেজনাই বিৰাজ কৰিছিল। ৰাইজৰ প্ৰৱল দাবীত বৰ্বৰ ঘটনাটোৰ লগত জড়িত ৯ জনকৈ অভিযুক্তক আৰক্ষীয়ে বিভিন্ন স্থানৰ পৰা কৰায়ত্ত কৰে। ইতিমধ্যে আটাইকেইজন অভিযুক্তক ন্যায়িক জিম্মাত ৰখাৰ অন্তত কাৰাগাৰলৈ নিক্ষেপ কৰিছে আদালতে। সম্প্ৰতি কাৰাবন্দী আটাইকেইজন অভিযুক্ত যেন আইনৰ সুৰুঙাৰে কোনোপধ্যে মুকলি আকাশৰ তললৈ আহিব নোৱাৰে তাৰেই আহ্বান জনাইছে দুৰ্ভগীয়া পিতৃ-মাতৃয়ে। ভোগালী বিহুৰ উছাহৰ বিপৰীতে পুত্ৰক অকালতে হেৰুৱাই শোকৰ সাগৰত ডুবি থকা দুৰ্ভগীয়া পিতৃয়ে সংবাদ মাধ্যমৰে হোৱা সাক্ষাৎকাৰত কয় যে ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁলোকৰ বাসগৃহত উপস্থিত হৈ সমবেদনা জনোৱাটোৱে দুখৰ মাজতো আশাৰ ৰেঙণি দেখুৱাইছে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীগৰাকীয়ে দোষীক উচিত শাস্তি প্ৰদান কৰাৰ বাবে আগবঢ়োৱা আশ্বাসে প্ৰয়াত পুত্ৰৰ আত্মাক শান্তি প্ৰদান কৰিব বুলিও আশা প্ৰকাশ কৰে।

# বৰপেটাৰোডত বৃহৎ পৰিমাণৰ গাঞ্জা, নগদ ধনসহ এজনক আটক

**ই-সংবাদ, বৰপেটাৰোড, ১২ জানুৱাৰীঃ** বৰপেটাৰোড আৰক্ষীয়ে এক অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জা আৰু নগদ ধনসহ এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। জব্দ কৰা গাঞ্জাখিনিৰ পৰিমাণ প্ৰায় প্ৰায় ৪ কিলোগ্ৰাম। গাঞ্জাৰ সৈতে ২০ হাজাৰ ৭৩০ টকা, এটা মোবাইল ফোন, এখন পাল্লা জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শ্যামলজ্যোতি শইকীয়াৰ নেতৃত্বত চলা অভিযানত আৰক্ষীৰ দলটোৱে এই সফলতা অৰ্জন কৰে। ধৃত গাঞ্জা ব্যৱসায়ীজন বৰপেটাৰোডৰ কাটাঝাৰ বজাৰৰ ওচৰৰ ধনঞ্জয় দাসৰ পুত্ৰ গণেশ দাস বুলি জানিব পৰা গৈছে। নিজ ঘৰৰ পৰা গাঞ্জাৰ বেহা চলাইছিল দাসে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভূঞাৰ নেতৃত্বত আকৌ বৈঠকত বহিল

প্ৰতিক্ৰিয়া অব্যাহত আছে। চৰকাৰী পৃষ্ঠপোষকতাত ৰাজ্যত অবৈধ কয়লাৰ খনন অব্যাহত থকাৰ তথ্য পোহৰলৈ আহিছে। অবৈধ খননৰ সৈতে ৰাজ্যৰ শাসকীয় দলৰ নেতা জড়িত থকাৰ লগতে অসম খনিজ উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক আনন্দ নটৰাজন জড়িত বুলি বিভিন্ন পক্ষই অভিযোগ উত্থাপন কৰি আহিছে। বিশেষকৈ ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্যমন্ত্ৰী কাৰ্যবাহী দেৱলাল গাৰ্লোছা আৰু তেওঁৰ পত্নী কণিকা হোজাই, কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাং জড়িত বুলি অভিযোগ উত্থাপন হৈছে। বিভিন্ন বিৰোধী দল-সংগঠনে শাসকীয় দলৰ নেত অবৈধ ৰেট হোল মাইনিঙত জড়িত বুলি অভিযোগ উত্থাপন কৰি অহাৰ সময়তে আজি অসমৰ বিৰোধী দলসমূহে কয়লাৰ অবৈধ খনন আৰু শ্ৰমিক আৱদ্ধ ঘটনা সন্দৰ্ভত জৰুৰী বৈঠক অনুষ্ঠিত কৰে। হোটেল গেটৱে গ্ৰেণ্ডৱেৰত অনুষ্ঠিত বৈঠকত কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে বিৰোধী দলসমূহ ঐক্যমঞ্চ অসম সন্মিলিত মৰ্চাই। অসম সন্মিলিত মৰ্চাই ১৬ জানুৱাৰীত গুৱাহাটীৰ গণেশগুৰিৰ অসম খনিজ উন্নয়ন নিগমৰ কাৰ্যালয় ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে কাৰ্বি আংলং আৰু ডিমা হাচাওত চলি থকা অবৈধ কয়লাৰ খননৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ আৰু ঘটনাৰ ন্যায়িক তদন্তৰ দাবী জনাইছে। অসম সন্মিলিত মৰ্চাৰ সভাপতি অজিত কুমাৰ ভূঞা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ৰাইজৰ জলৰ সভাপতি অখিল গগৈ, অল পাৰ্টি হিলছ লিডাৰ্ছ কনফাৰেন্সৰ সভাপতি জনছ ইংতি কাথাৰ, বামপন্থী দলসমূহৰ নেতৃত্ব উপস্থিতিত অনুষ্ঠিত বৈঠকত ৰাজ্য চৰকাৰ তথা বিজেপিৰ নেতা-কৰ্মী অবৈধ কয়লাৰ খনন আৰু চিণ্ডিকেটত জড়িত বুলি অভিযোগ আনিছে। দলকেইটাৰ নেতৃত্বই কয় যে গণেশগুৰিৰ অসম খনিজ উন্নয়ন নিগমৰ কাৰ্যালয় ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰি অবৈধ কয়লা আহৰণ, সৰবৰাহৰ বিৰোধ কৰা হ'ব। কাৰ্বি আংলং আৰু ডিমা হাচাওত চলি থকা অবৈধ কয়লা খননৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰা হ'ব। অসম সন্মিলিত মৰ্চাৰ এটা প্ৰতিনিধি দল উমৰাংছুলৈ প্ৰেৰণ কৰি অভিশপ্ত কয়লা খনিটো পৰিদৰ্শন কৰিবলৈ সিদ্ধান্ত লয়। দলটোত বিৰোধী দলসমূহৰ প্ৰতিনিধি থাকিব। প্ৰতিনিধি দলটোৱে উদ্ধাৰ অভিযানৰ খবৰ লোৱাৰ লগতে অবৈধ কয়লাৰ খননৰ বিষয়ে জানিবলৈ স্থানীয় লোকৰ সৈতে আলোচনাত মিলিত হ'ব। বৈঠকৰ অন্তত এখন সংবাদমেল সম্বোধন কৰি অজিত কুমাৰ ভূঞাই অসমৰ শেহতীয়া পৰিস্থিতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। সাম্প্ৰদায়িক উত্তেজনাৰ ফলত পৰিস্থিতি অধিক অৱনতি ঘটিছে। উমৰাংছুৰ ঘটনা 'ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত ট্ৰেজেডী'। এই অবৈধ কয়লা খননৰ বিৰুদ্ধে ন্যায়িক তদন্তৰ দাবী জনায়। ভূঞাই আৰু কয় যে আমি ডিমা হাচাওত অবৈধ কয়লা খননৰ বিষয়ত উচ্চ ন্যায়ালয়ৰ তত্বাৱধানত তদন্তৰ দাবী জনাইছো। মৰ্চাৰ নেতাসকলে উত্তৰ কাছাৰ পাহাৰ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গৰ্লোছা আৰু পত্নী কণিকা হোজাইক আক্ৰমণৰ লক্ষ্য কৰি লয়। দেৱলালক তাৎক্ষণিকভাৱে পদৰ পৰা আঁতৰাবলৈ দাবী জনায়। চৰকাৰ তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰি অবৈধ কয়লা খনন কাৰ্যকলাপ ৰোধত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰি ভূঞাই কয় যে স্থানীয় প্ৰশাসন আৰু আৰক্ষীৰ নিষ্ক্ৰিয়তাৰ বাবে অবৈধ কয়লাৰ খনন অব্যাহত আছে। আমি মুখ্যমন্ত্ৰীয়ে অপৰাধীসকলক ৰক্ষা কৰাৰ প্ৰচেষ্টাক গৰিহণা দিছো। অবৈধ কয়লা খনন বহু দিন ধৰি চলি আছে। চৰকাৰে তৎক্ষণাৎ গাৰ্লোছাক পদৰ পৰা আতৰাই পত্নী কণিকা হোজাইক গ্ৰেপ্তাৰ কৰক। কয়লা খননৰ বিষয়টোৰ উপৰিও আজিৰ বৈঠকত উপস্থিত থকা নেতাসকলে আগন্তুক পঞ্চায়ত নিৰ্বাচনক তাৰিখক লৈ উদ্বেগ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে নিৰ্বাচন ঘোষণা কৰাৰ পূৰ্বে বিৰোধী দলৰ পৰামৰ্শ উপেক্ষা কৰাৰ অভিযোগ উত্থাপন কৰি বুলি কয়। আগন্তুক নিৰ্বাচনী যুঁজত শাসকীয় বিজেপিৰ ৰণনীতিক প্ৰত্যাহ্বান জনোৱাৰ বাবে অধিক বিৰোধী ঐক্যৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মৰ্চাই উচ্চ ন্যায়ালয়ক স্থানান্তৰ প্ৰস্তাৱক বিৰোধিতা প্ৰকাশ কৰি উক্ত কাৰ্যই অসমক নেতিবাচকভাৱে প্ৰভাৱিত কৰিব বুলি কয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নিথৰ দেহ হৈ কোকৰাঝাৰ পালে

পৰিছে পৰিয়ালবৰ্গ। বৰ্তমান পৰিয়ালত মাথো হিয়াভগা কান্দোন আৰু অঞ্চলটোত শোকাকুল পৰিৱেশে বিৰাজ কৰিছে। উল্লেখ্য যে উমৰাংছুৰ কয়লাখনিত আবদ্ধ হোৱা শ্ৰমিক খুশিমোহন ৰায়ক মৃত অৱস্থাত উদ্ধাৰকাৰী দলে উদ্ধাৰ অভিযানৰ পঞ্চম দিনা উদ্ধাৰ কৰিছিল। বৰ্তমানে মৃতকক স্বগৃহলৈ আনি থকা হৈছে আৰু বাতৰি লিখা পৰলৈ মৃতকক কঢ়িওৱা বাহনখনে নগাঁও পাৰ হৈছে। আনহাতে খুশিমোহন ৰায়ৰ কোকৰাঝাৰৰ চিথিলা মাজেৰগাঁৱৰ বাসগৃহত গঞা ৰাইজে ভিৰ কৰিছে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিছে। অতি দৰিদ্ৰ খুশিমোহন ৰায়ে পেটৰ তাড়নাত পৰি ডেৰমাহ পূৰ্বে উমৰাংছুৰ কয়লাখনিত কাম কৰিবলৈ গৈছিল আৰু মৃতদেহ হৈ ঘৰলৈ ঘূৰি অহা ঘটনাটো কৰুণ বুলিয়েই বিবেচিত হৈছে। ইপিনে আজি সংবাদমাধ্যমৰ আগত বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে কয় যে অবৈধ কয়লাখনিটো উপাৰ্জনৰ কেন্দ্ৰ নহয় বৰং সেয়া যমৰজাৰ এটা কুঁৱাহে বুলি মন্তব্য কৰি অবৈধ খনন কাৰ্যৰ লগত যিসকল জড়িত আছে তেওঁলোকক গ্ৰেপ্তাৰ কৰি আইনগত শাস্তি প্ৰদান কৰাৰ দাবী উত্থাপন কৰিছে বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে। তদুপৰি মৃত্যুবৰণ কৰা শ্ৰমিকৰ পৰিয়ালক এটাকৈ চৰকাৰী চাকৰি প্ৰদান কৰাৰ দাবী জনাই আৰ্থিক সাহায্য প্ৰদানৰো দাবী কৰিছে বিধায়কগৰাকীয়ে। তদুপৰি খুশিমোহন ৰায়ৰ দুগৰাকী কন্যা সন্তানৰ পঢ়া-শুনাৰ দায়িত্বও চৰকাৰক ল'বলৈ আহ্বান জনাইছে বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে। আনহাতে সাংবাদিকৰ এক প্ৰশ্নোত্তৰত অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত হোৱা খুশিমোহন ৰায়ৰ পৰিয়ালক অৰুণোদয় আঁচনি প্ৰদান কৰা হ'ব বুলি আশ্বাস দিছে বিধায়কগৰাকীয়ে। উল্লেখ্য যে যোৱা ৮ জানুৱাৰীত বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে খুশিমোহন ৰায় আৰু সৰ্পা বৰ্মনৰ ঘৰত উপস্থিত হৈ ১০ হাজাৰকৈ টকাৰ আৰ্থিক সাহায্য আগবঢ়াইছিল। প্ৰণিধানযোগ্য যে কোকৰাঝাৰ জিলাৰ ভাওৰাগুৰী এলেকাৰ সৰ্পা বৰ্মন নামৰ শ্ৰমিকজনো কয়লাখনিত কাম কৰিবলৈ গৈ উক্ত অভিশপ্ত কুঁৱাটোত আৱদ্ধ হৈ আছে আৰু বৰ্তমানলৈকে সৰ্পা বৰ্মনৰ কোনোধৰণৰ খবৰ পোৱা হোৱা নাই। সৰ্পা বৰ্মনৰ পৰিয়ালটোতো ভোগালীৰ বতৰত এতিয়া দেখা গৈছে এক দুখৰ পৰিৱেশ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তিতাবৰত বন্ধুৱে কাঢ়িলে বন্ধুৰ প্ৰাণ

১নং শলগুৰিত চাঞ্চল্যৰ সৃষ্টি কৰিছে। চুবুৰীয়া দুই বন্ধুৰ মাজত হোৱা কাজিয়াৰ পৰিণতিত এজনে কুঠাৰৰ ঘাপত প্ৰাণ হেৰুৱাব লগা হোৱা নৃশংস ঘটনা সংঘটিত হয়। জানিব পৰা মতে মাধপুৰ ১নং শলগুৰি গাঁৱৰ দুই যুৱক ক্ৰমে মুনু চুতীয়া আৰু গুদু গগৈৰ মাজত কালি সন্ধিয়া প্ৰায় ৮.৩০ বজাত কাজিয়াৰ সৃষ্টি হয়। গুদু গগৈ নামৰ যুৱকজনে মুনু চুতীয়াৰ ঘৰৰ পদুলিত গান গোৱাৰ বাবেই মুনু ক্ষুব্ধ হৈ পৰে। ইয়াৰ পিছতে দুয়োটাৰ মাজত প্ৰথমে মাৰপিট আৰু শেষত মুনুৱে ঘৰৰ পৰা এখন কুঠাৰ লৈ আহি গুদুৰ মুৰৰ পাছফালে প্ৰচণ্ড জোৰেৰে আঘাত কৰে। এই আঘাতত গুদু ধলি পৰাৰ লগতে কৰুণ মৃত্যুক সাৱটি লয়। ইফালে পুত্ৰক বচাবলৈ আহোতে গুদু গগৈৰ মাতৃও আঘাতপ্ৰাপ্ত হয়। গুৰুতৰভাৱে আহত গুদু গগৈৰ মাতৃক তিতাবৰ সমজিলা অসামৰিক চিকিৎসালয়ত নিশাই ভৰ্তি কৰোৱা হয়। ঘটনাৰ পিছৰে পৰা আত্মগোপন কৰা হত্যাকাৰী মুনু চুতীয়াক আজি পুৱাই মাধপুৰ আৰক্ষীয়ে ক্ষিপ্ৰতাৰে অনুসন্ধান চলাই গ্ৰেপ্তাৰ কৰে। ঘটনাস্থলীত নিশাই তিতাবৰৰ আৰক্ষী উপস্থিত হৈ প্ৰাথমিক তদন্ত কৰি মৃতদেহটো মৰোণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজিও গাঁতত আৱদ্ধ পাঁচ শ্ৰমিক

ভিৰ। ভাগে ভাগে মানুহে মাছ-মঙহ, চাউল, শাক-পাচলি কিনিবলৈ হেতা-ওপৰা লগাইছে। মুখ্যমন্ত্ৰীৰ ঘৰত মাছৰ উজান উঠিছে। ইজনে বোলে মুখ্যমন্ত্ৰীক মইহে ডাঙৰ মাছটো দিওঁ। সিজনে বোলে মইহে ডাঙৰ মাছটো দি ৰেকৰ্ড কৰোঁ। যেন প্ৰতিযোগিতাহে চলিছে। ৰৌ, বৰালি, ভকুৱা, আৰি মাছেৰে ভৰি পৰিছে মুখ্যমন্ত্ৰী পদুলি। মুখ্যমন্ত্ৰীৰ অধীনৰ মন্ত্ৰীৰ পৰা আৰম্ভ কৰি নিকায়-নিগমৰ অধ্যক্ষ-উপাধ্যক্ষসকলে মাছ লৈ মুখ্যমন্ত্ৰী পদূলিত হেতা-ওপৰা লগাইছে। সেই ফটোসমূহ আপলোড দিয়া হৈছে অসমৰ প্ৰশাসনে চলোৱা মুখ্যমন্ত্ৰীৰ অফিচিয়েল সামাজিক মাধ্যমত থকা প্লেটফৰ্মসমূহত। সামাজিক মাধ্যমত আপলোড কৰা ফটোৰ কমেণ্ট বক্সত কোনোৱে মুখ্যমন্ত্ৰীক মাছ দিয়াৰ বাবে দিওতাজনক ধন্যবাদ জ্ঞাপন কৰিছে। আন বহুতে আকৌ কৈছে যে ডাঙৰ মানুহ মুখ্যমন্ত্ৰীক মাছ কিয় দিব লাগে। মুখ্যমন্ত্ৰীয়ে মাছ কিনি খাব পাৰে। এজন দৰিদ্ৰ মানুহক মাছ এটা কিনি দিলে দৰিদ্ৰ মানুহজনৰ পৰিয়ালটোৱে উদাৰ পূৰাই খাব পাৰিলেহেঁতেন। নানা মুনিৰ নানা মত। একাংশ মানুহে খাদ্য-সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ বাবে বিপদত পৰিছে যদিও কেনেবাকৈ কেইটামান টকা যোগাৰ কৰি বজাৰ কৰিছে। এনেদৰে এতিয়া ৰং-ৰইছত মত্ত হৈছে অসমৰ মানুহ। সকলোৱে ৰংত মতলীয়া হৈ থকা এইখন অসমত যে এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হৈছে সেই কথা অনুধাৱন কৰিব নোৱাৰি। এটা তিনি ফুট আহল-বহল গাতত সোমাই ৯ শ্ৰমিক আৱদ্ধ হোৱাৰ লগতে ইতিমধ্যে ৪ জনৰ উৰলি যোৱা মৃতদেহ উদ্ধাৰ হোৱাৰ দৰে ‘ট্ৰেজিদি’ হোৱা বুলি অনুভৱ কৰিবই নোৱাৰি। শাসকীয় দলৰ নেতাৰ পৃষ্ঠপোষকতাত ডিমা হাচাওৰ তিন কিলোত এটা সুৰংগত সোমাই ৯ শ্ৰমিক আৱদ্ধ হৈ ইতিমধ্যে ৪ জনে প্ৰাণ হেৰুৱালে। ৫ শ্ৰমিক এতিয়াও আৱদ্ধ হৈ আছে। আৱদ্ধ ৫ শ্ৰমিক জীৱিত নে মৃত সেই কথাৰ নিশ্চিত নাই। পেটৰ ভোক আৰু পৰিয়াল চলোৱাৰ তাগিদাত শাসকীয় দলৰ নেতাৰ পৃষ্ঠপোষকতাত থিয় দিব নোৱাৰা অটল গহ্বৰত সোমাই মৰিবলৈ বাধ কৰোৱা দৰিদ্ৰ শ্ৰমিকৰ মৃত্যুক লৈ কোনেও হা-হুঁমনিয়াহ দেখা পোৱা হোৱা নাই। শ্ৰমিকৰ বাবে চকুলো টুকিবলৈ কাৰোৱে সময় নাই। শ্ৰমিকৰ পৰিয়ালৰ বাবে সমৱেদনা জনাবলৈ কোনো ৰাজি নহয়। আনহাতে উমৰাংছু কাণ্ডৰ আজি সপ্তম দিন। উমৰাংছুৰ কয়লাখনিৰ ঘটনাৰ আজি সাতটা দিন সম্পূৰ্ণ হ’ল। খনিটোত আবদ্ধ ৫ জন শ্ৰমিকৰ উদ্ধাৰৰ বাবে বৰ্তমানো অব্যাহত আছে অভিযান। কিন্তু আজি এজনো শ্ৰমিকক জীৱিত বা মৃত অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। দিনে-নিশাই পানীৰ পাম্পেৰে পানী সিঁচি থকা হৈছে যদিও এই পৰ্যন্ত সম্পূৰ্ণকৈ পানী শুকাই নহাত অভিযানত সমস্যাই দেখা দিছে। ইপিনে ইতিমধ্যে উদ্ধাৰকৃত মৃতদেহ কেইটা উৰলি গৈছিল। সেয়েহে উৎকট গোন্ধৰ বাবে অভিযান চলোৱাত সমস্যাই দেখা দিছে। নৌ-সেনাই অভিযান কয়লা খনিটোৰ পৰা নেপালৰ বাসিন্দা গংগা বাহাদুৰ শ্ৰেষ্ঠ, উমৰাংছুৰ ক’লামাটিৰ লিজেন মগৰ, কোকৰাঝাৰ জিলাৰ ফকিৰগ্ৰামৰ মগৰগাঁৱৰ খুশি মোহন ৰায়, শোণিতপুৰ জিলাৰ পানবাৰীৰ থাইলাপাৰাৰ শৰৎ গয়াৰীৰ মৃতদেহ উদ্ধাৰ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চায়ত নিৰ্বাচন পাতিবলৈ ক’টৰ

সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰি ব্যক্তি বিশেষৰ লেখ আবেদনৰ ভিত্তিত লৈ চলি থকা গোচৰৰ এক নিৰ্দেশনা দিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ে গোচৰ চলি থকা ৯ জিলাৰ পঞ্চায়ত এলেকাৰ বাহিৰে বাকী অংশত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ নিৰ্দেশনা দিছে। ৯খন লেখ আবেদন সামৰি লোৱা অঞ্চলসমূহক বাদ দি অন্য সকলো ঠাইতে অনুষ্ঠিত হ’ব নিৰ্বাচন আইনী বাধা আতৰ হোৱাত ৰাজ্য চৰকাৰে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰিব যদিও ফেব্ৰুৱৰী আৰু মাৰ্চ মাহত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰে ৰাজ্য চৰকাৰে। কিয়নো আজি উচ্চ ন্যায়ালয়ে ৰায় দিয়াৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বহাগ বিহুৰ আগে-পিছে নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা যাব বুলি প্ৰতিক্ৰিয়া প্ৰদান কৰিছে। ১০ জানুৱাৰীত কেবিনেট বৈঠকৰ সময়ত মুখ্যমন্ত্ৰীয়ে নিশা ১২ বজাৰ ভিতৰত ৰায় নিদিলে মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা শেষ নোহোৱালৈ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নাযাব বুলি মন্তব্য কৰিছিল। আদালতে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছে যদিও ৰাজ্য চৰকাৰে দুটামাহ পিছতহে নিৰ্বাচন অনুষ্ঠিত কৰিব। মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰি থৈছে যে মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ১৪ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ’ব। সেয়েহে ফেব্ৰুৱাৰী মাহত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নাযাব বুলি কৈছিল। ইপিনে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ চৰকাৰ সাজু আৰু তৎপৰ বুলি জাহিৰ কৰিছে। আনপিনে আইনী বিধা আতৰ হোৱাৰ পিছতে মুখ্যমন্ত্ৰীয়ে কৈছে যে ব’হাগ বিহুৰ আগে-পাছে নিৰ্বাচন পাতিম। চৰকাৰ তথা মুখ্যমন্ত্ৰীক নিজেই দুদ্যোল্যমান স্থিতিত দেখা গৈছে। ইপিনে কৈছে যে নিৰ্বাচন পাতিবলৈ আমি সাজু আনফালে কৈছে যে ব’হাগ বিহুৰ পিছত পতা হ’ব নিৰ্বাচন। আজি আদালতে ৰায় ঘোষণা কৰাৰ তাৰিখ হৈছে ১২ জানুৱাৰী। পৰীক্ষা আৰম্ভ হ’ব ১৪ ফেবুৱাৰীৰ পৰা। আজিৰ পৰা পৰীক্ষালৈ এমাহৰ বেছি সময় আছে। এমহাত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ যথেষ্ট সময় যদিও মুখ্যমন্ত্ৰীয়ে ব’হাগ বিহু তথা এপ্ৰিল মাহলৈ নিৰ্বাচন পিছুৱাই নিয়াৰ ঘোষণা কৰিছে। আজি আদালতে দিয়া ৰায় অনুসৰি গোচৰ চলি থকা ৯টা অঞ্চলক এৰি অসমৰ বাকী অংশত নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰিব। আদালয়তৰ ৰায় দিয়াৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কৈছে যে বহাগ বিহুৰ আগে-পাছে অনুষ্ঠিত হ’ব নিৰ্বাচন। হিমন্ত বিশ্ব শৰ্মাই কয় যে ব’হাগ বিহুৰ আগে-পাছে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ’ব। মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে এতিয়া অনুষ্ঠিত নহয় নিৰ্বাচন। সমষ্টি পুনৰ নিৰ্ধাৰণত ব্যাপক খেলি-মেলি কৰাৰ অভিযোগ উত্থাপন কৰি ব্যক্তি বিশেষ গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰিছিল লেখ আবেদন। গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰথমটো শুনানিৰ পিছতে ১৭ ডিচেম্বৰত নিৰ্বাচন স্থগিত কৰিবলৈ নিৰ্দেশ দিছিল। মৰিগাঁও, নগাঁও, কৰিমগঞ্জ, শ্ৰীভূমি, কাছাৰ, হাইলাকান্দি, মৰিগাঁৱঁকে ধৰি ৯ খন জিলাৰ পৰা লেখ আবেদন দাখিল কৰিছিল উচ্চ ন্যায়ালয়ত। চৰকাৰে ৬ জানুৱাৰীত নিৰ্বাচনী আচৰণ বিধিৰ ড্ৰাফট প্ৰকাশ কৰিছিল। চৰকাৰে ১২ ফেব্ৰুৱাৰীত নিৰ্বাচন শেষ কৰিম বুলি কৈছিল যদিও ৯টা গোচৰত চলি থকাত উচ্চ ন্যায়ালয়ে নিৰ্বাচনত স্থগিতাদেশ দিছিল। আদালতে কৈছিল যে যেতিয়ালৈকে আদালতৰ ৰায় নিদিয়ে তেতিয়ালৈকে নিৰ্বাচন পাতিব নোৱাৰিবা। ২৯ ডিচেম্বৰত চৰকাৰে আদালতত আৰ্জি দি কৈছিল যে আমাক অনুমতি দিয়ক আমি নিৰ্বাচনৰ পাতিবলৈ অধিসূচনা জাৰি কৰিম। পূৰ্বৰ শুনানিত ১০ জানুৱাৰীলৈ পঞ্চায়ত নিৰ্বাচনৰ সিদ্ধান্ত লোৱাত স্থগিত দিছিল ন্যায়ালয়ে। ১০ জানুৱাৰীত আছিল শুনানিৰ দিন। ন্যায়ালয়ে দুয়োপক্ষৰ মতামত গ্ৰহণ কৰি ৰায় দিয়া নাছিল। লগে লগে মুখ্যমন্ত্ৰীয়ে সংবাদমেল সম্বোধন কৰি কৈছিল যে আমি ন্যায়ালয়ৰ ৰায়ৰ বাবে ৩ ঘণ্টা ৰখি আছিলো। গোটেই কেবিনেটে ৰৈ আছিলো। কিন্তু ৰায় পোৱা নগ’ল। মুখ্যমন্ত্ৰীয়ে নিশাৰ ভিতৰত ৰায় দিয়ে তেন্তে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ’ব। অন্যথাই হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাৰ পিছত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰা হ’ব। মুখ্যমন্ত্ৰীয়ে লগতে কৈছিল যে আজি ১০ জানুৱাৰী। আজি যদি নিৰ্বাচনৰ দিন আজি ঘোষণা কৰা হয় তেন্তে নিৰ্বাচন পাতিবলৈ আমাক এমাহ সময় লাগিব। মহামান্য ন্যায়াধীশগৰাকীয়ে ঘোষণা কৰিছিল যে তেওঁ আজিৰ ভিতৰত ৰায় দিব। গোটেই কেবিনেট খনে তিনি ঘণ্টা বহি আছো। এতিয়ালৈকে ৰায় অহা নাই। ৰায় আহিব বুলি দিনৰ দুটা বজাৰ পৰা ৰৈ আছিলো। যদি আজি ৰায় নিদিয়ে তেন্তে পঞ্চায়ত নিৰ্বাচন মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰীৰ পিছলৈ লৈ যাব লাগিব। কাৰণ ১৪ ফেব্ৰুৱাৰীৰ পৰা ৰাজ্যত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষা অনুষ্ঠিত হ’ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এনেকৈয়ে ভোগালী

কৃষিজীৱিয়ে ৰৈ থকা দিনটো অৱশেষত আহি পালে। পৰম আকাংক্ষাৰ দিনটোত হেঁপাহৰ ভোগীলৰ এসাজ খোৱাৰ পৰম্পৰা। মাঘ বিহু তথা উৰুকাত ভোগৰ এসাজ খাবলৈ অসমীয়াৰ ঘৰে ঘৰে বিৰাট ব্যস্ততা। ঠেঁটুৰে ধৰা জাৰত মেজিৰ জুইৰ উম লৈ অসমীয়াই এসাজ উদাৰ পুৰাই খাব। বিধে বিধে ব্যঞ্জনৰ সোৱাদ ল'ব। ভোগ, প্ৰাচুৰ্য্যৰ এটা দিনৰ বাবে অসমীয়াই দহোবন কাটি কৰিছে। বিদেশত থকা, আন ৰাজ্যত থকা অসমীয়াই পৰিয়ালৰ, চুবুৰীটোৰ সৈতে এসাজ খাবলৈ ঘৰখনলৈ ল'ৰ দিছে। দিহিঙে-দিপাঙে থকা অসমীয়াই ঘৰখনত বিধে বিধে মাছ-মঙহে, পোৰা মাছ, মাটি আলু, নতুন আলুৰ স্বাদ ল'ব। সমনীয়া, গাঁৱৰ জ্যেষ্ঠ-কনিষ্ঠ, ঘৰৰ সদস্যৰ সৈতে পূৰ্বেই নিৰ্মাণ কৰা ভেলাঘৰটোৰ কাষত আবেলিৰ পৰাই একত্ৰিত হ'ব। গাঁৱৰ ঢেঙলীয়া, আদহীয়া, ডেকাই ওৰে নিশা মেজিৰ তলত জুই পুৱাই কটাব। গোটেই নিশা মেজি তলত কটাই পুৱাই ঘৰখন দৌৰ দিব। বাৰীৰ তামোল-পাণ, ফল-মূলৰ গছত গছ কোবাব। যাতে ফুল-ফলে জাতিস্কাৰ হয় বাৰীখন। কাহিলীপুৱাই গা ধুই, নতুন বস্ত্ৰ পিন্ধি মেজি জ্বলাবলৈ সাজু হ'ব। তাৰ পিছতে সমূহীয়াকৈ আৰলা, বৃদ্ধি বণিতাৰ উপস্থিতিত জ্বলোৱা হ'ব মেজি। মেজিৰ জুইত সমাজখনৰ পৰা হত্যা-হিংসা, অসূয়া আতৰি যাবৰ বাবে সেৱা ল'ব। মেজিৰ জুইৰ সেক লৈ কৃষিজীৱি অসয়মীই বছৰটোৰ বাবে নিজকে কৰ্মঠ হৈ থাকিবৰ বাবে অগ্নিদেৱতাক প্ৰাৰ্থনা জনাব। মেজিৰ জুই নমুৱাৰ পিছতে ঘৰাঘৰি গৈ মানুহবোৰে দৈ-চিৰা, গুৰ, তিল পিঠা, নাৰিকলৰ পিঠা, লাডু, খান্দহৰে পুৱাৰ আহাৰ গ্ৰহণ কৰিব। কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা যাচিব। জ্যেষ্ঠজনে কনিষ্ঠজনক আশীৰ্বাদ দিব। তাৰ পিছতে গাঁৱে, গাঁৱে চুবুৰীয়ে চুবুৰীয়ে নামঘৰত বহিব মেজমেল। মেজমলত গাঁওখন বা চুবুৰীটোৰ হিচাপ-নিকাছ কৰা হ'ব। দ্বন্দ-খৰিয়াল থাকিলে নিষ্পত্তি কৰা হ'ব। গাঁৱে-গাঁৱে কণীযুঁজকে ধৰি বিভিন্ন পৰম্পৰাগত খেল-ধেমালি অনুষ্ঠিত হ'ব। গাঁৱৰে ল'ৰা-ছোৱালী খেল-ধেমালিত অংশ ল'ব। বঁটা-বিতৰণি সভাত পুৰস্কাৰসমূহ বিতৰণ কৰা হ'ব। তাৰ পৰাই ল'ৰা-ছোৱালীয়ে প্ৰতিযোগিতাৰ পৃথিৱীত নিজকে সক্ষম কৰিবলৈ প্ৰয়াস কৰিব। মাঘ বিহুৰ দিনটোৰ পৰাই আলহী-অতিথি আহিবলৈ আৰম্ভ কৰিব। আলহী অতিথিক পৰম্পৰাগত অনুসৰি দৈ, চিৰা, গুৰ, তিল পিঠা, নাৰিকলৰ পিঠা, লাডু, খান্দহ অপ্যায়ান কৰিব। ইতিমধ্যে বাঁহ, খেৰ, নৰা কাটি অসমীয়াই ডেকাই ভেলাঘৰ সাজিছে। উৰুকাৰ নিশা ভোগ এসাজ ৰান্ধিবলৈ খৰি যোগাৰ কৰি থৈছে। ধনী, দুখীয়া, মধ্যবিত্ত সকলোৱে বজাৰ-সামৰ কৰিছে। অতীতৰ পৰা পালন কৰি অহা অসমীয়াৰ ভোগালীৰ পৰম্পৰা মৰ্মে ভোগালী বিহু তথা উৰুকা পালন কৰিবলৈ এতিয়া অসমীয়া সাজু হৈছে। ১৩ জানুৱাৰীৰ নিশা উৰুকা আৰু ১৪ জানুৱাৰীত মাঘবিহু পালন কৰিব অসমীয়াই।

# চৰাইদেউ মহোৎসৱৰ সফল সামৰণি, দীনেশ গগৈ, চৈয়দ চাদুল্লা, যতীন শৰ্মাক বঁটা

**ই-সংবাদ, মথুৰাপুৰ, ১২ জানুৱাৰীঃ** শনিবাৰে সফলতাৰে সামৰণি পৰিল চৰাইদেউ মহোৎসৱৰ। শেষৰ দিনটোত হিল-দল ভাঙি হাজাৰ হাজাৰ লোকে লোকাৰণ্য হৈ পৰে চৰাইদেউ মহোৎসৱ থলী। লোক-কৃষ্টি গৱেষণা উন্নয়ন সমিতি, চৰাইদেউবাসী ৰাইজৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত ৯ জানুৱাৰীৰ পৰা উদযাপন কৰা চৰাইদেউ মহোৎসৱৰ অন্তিম দিনা পুৱাৰ ভাগত ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাই মুহিলে চৰাইদেউবাসীক। সাংস্কৃতিক সমন্বয় শোভাযাত্ৰা উদ্বোধন কৰে নেত্ৰকাই নামেৰে পৰিচিত বিশিষ্ট অভিনেতা অৰুণ হাজৰিকাই। দুপৰীয়া চৰাইদেউ সাংস্কৃতিক দল, সোণাৰিৰ মহিলাসকলে 'ছশ বছৰীয়া আহোম ৰাজত্বৰ পাতনি মেলিছিল চ্যুকাফাই' শীৰ্ষক গীতেৰে শুভাৰম্ভ কৰে মুকলি সভা। উদযাপন সমিতিৰ সভাপতি তথা সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত উদ্যোক্তাসকলে প্ৰবীণ চলচ্চিত্ৰ নিৰ্মাতা গোলাঘাটৰ দীনেশ গগৈক লোক কৃষ্টি প্ৰজ্ঞা বঁটা, অনাতাঁৰ কথা শিল্পী ডিব্ৰুগড়ৰ চৈয়দ চাদুল্লাক কণ্ঠ শিৰোমণি বঁটা, গীতিকাৰ তথা সত্ৰীয়া সাধক আৰু বিহু বিশেষজ্ঞ যোৰহাটৰ অশোক বৰদলৈক সংগীত শিৰোমণি বঁটা, কোকৰাঝাৰৰ সুলেখা বসুমতাৰীক ৰুদ্ৰসিংহ সমন্বয় বঁটা, বিশিষ্ট শব্দযন্ত্ৰী মুম্বাইৰ যতীন শৰ্মাক অসম কলাৰত্ন বঁটা আৰু একেধাৰে লোক-সংস্কৃতিৰ গৱেষক, সাহিত্যিক মৰাণৰ ড° অনিল শইকীয়াক জীৱন জোৰা শিল্পসাধনা বঁটা প্ৰদান কৰে। মুকলি সভাত বিশিষ্ট মুখ্য অতিথি হিচাপে অৰুণাচল প্ৰদেশৰ মন্ত্ৰী গ্ৰেব্ৰিয়েল ডেনৱাং ৱাংশু, নাগালেণ্ড চৰকাৰৰ মন্ত্ৰী টেমজিন ইমনা আলং, ভাৰত চৰকাৰৰ সাংস্কৃতিক বিশেষজ্ঞ ড° কে চি নৰিয়াল, অসম প্ৰত্নতাত্বিক বিভাগৰ সঞ্চালক ডঃ দীপিৰেখা কুলি, ম্যানমাৰৰ এম্বেচাদৰ জ' অউ আৰু তেওঁৰ পত্নী পিন্ট নিউইৰ লগতে ম্যানমাৰৰ আন কেবাগৰাকী বিষয়া তথা অসম চৰকাৰৰ প্ৰাক্তন ৰাজ্যিক মন্ত্ৰী হিৰণ্য কুমাৰ কোঁৱৰৰ লগতে কেইবাগৰাকী বিশিষ্ট অতিথি উপস্থিত থাকে। বিয়লি শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তই স্মৃতিগ্ৰন্থ উন্মোচন কৰে। ইয়াৰ পাছতে ঐতিহাসিক চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্যক্ষেত্ৰ হোৱাত অৱদান আগবঢ়োৱা ব্যক্তিক সম্বৰ্দ্ধনা জনোৱা হয়। সন্ধিয়া বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম প্ৰাংগনত সমূহীয়া বন্তি প্ৰজ্বলন কৰা হয়। নিশালৈ আমন্ত্ৰিত শিল্পীৰ সংগীতানুষ্ঠানেৰে চৰাইদেউ মহোৎসৱৰ সামৰণি পৰে। উল্লেখ্য যে চৰাইদেউৰ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি পোৱাত এইবাৰ মহোৎসৱ বিশেষতকৈয়ো বিশেষ হৈ পৰে।

# বড়ো সাহিত্য সভাৰ অন্তিম দিনটোত গ্ৰন্থপ্ৰেমীৰ সঁহাৰি

**ই-সংবাদ, ওদালগুৰি, ১২ জানুৱাৰীঃ** চাৰিদিনীয়া উখল-মাখল পৰিৱেশৰ অন্তত সামৰণি পৰিল ওদালগুৰি জিলাৰ ডিমাকুচিৰ দৈমু নগৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক বাৰ্ষিক অধিৱেশন। অন্তিমটো দিনত অধিৱেশনখনৰ সৈতে সংগতি ৰাখি চলি থকা গ্ৰন্থ বিপনীত গ্ৰন্থপ্ৰেমীৰ ব্যাপক সহাৰি পৰিলক্ষিত হোৱা দেখা যায়। অধিৱেশনৰ প্ৰথম দুটা দিনত গ্ৰন্থপ্ৰেমীৰ সহাৰি সেৰেঙা থকা বুলি জানিবলৈ দি অন্তিম দুটা দিনত সন্তোষজনক সহাৰিৰ লগতে গ্ৰন্থৰ যথেষ্ট বিক্ৰী হোৱাৰ কথা বিক্ৰেতাসকলে জানিবলৈ দিয়ে। গ্ৰন্থ বিক্ৰীৰ মুঠ হিচাপ বাতৰি লিখা পৰলৈ জানিব পৰা হোৱা নাই যদিও প্ৰায় কেইৰা লক্ষাধিক টকাৰ গ্ৰন্থ বিক্ৰী হোৱা বুলি সদৰি কৰে। উক্ত মেলাত গায়ত্ৰী প্ৰকাশন, এম আৰ প্ৰকাশন, স্বাগত প্ৰকাশনককে ধৰি প্ৰায় আঠৰ পৰা দহখন গ্ৰন্থৰ বিপনীয়ে অংশগ্ৰহণ কৰে। গ্ৰন্থ বিক্ৰেতাসকলৰ পৰা জানিব পৰা অনুসৰি বড়ো ভাষাৰ গ্ৰন্থসমূহৰ ভিতৰত অধিক বিক্ৰী হোৱা গ্ৰন্থৰ তালিকাৰ প্ৰথম স্থানত আছে সাহিত্য অকাডেমী বটাঁ প্ৰাপক অৰণ ৰাজা বসুমতাৰীৰ "সৌৰনি থাখায়", বিপৰীতে দ্বিতীয় স্থানত আছে পবিত্ৰ গ্ৰন্থ "বাথৌ থান্দৈ"। ইফালে এইবেলি বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশনত কেইৰাখনো অসমীয়া গ্ৰন্থই ব্যাপক সমাদৰ লাভ কৰাৰ কৰা প্ৰকাশকগোষ্ঠীয়ে জানিবলৈ দিয়ে। ইয়াৰ ভিতৰত বিক্ৰীৰ ক্ষেত্ৰত প্ৰথম স্থানত আছে ড° কুমুদ দাসৰ "মই মানুহ হব খোজো" নামৰ গ্ৰন্থখন। দ্বিতীয় স্থানত আছে সাহিত্যিক য়েছে দৰজে ঠংচিৰ "ধাৰ আৰু অন্যান্ন গল্প" নামৰ গ্ৰন্থখন। একেদৰে তৃতীয় স্থানত সাহিত্য অকাডেমী বটাঁপ্ৰাপ্ত সমীৰ তাঁতীৰ "ফৰিংবোৰে বাটৰ কথা জানে", চতুৰ্থ স্থানত আছে মৃণাল কলিতাৰ "অভিমান্যু", পঞ্চম স্থানত আছে মৃণাল কলিতাৰ "বকুল ফুলৰ দৰে" গ্ৰন্থখন।

# তামুলপুৰৰ গুৱাবাৰীত স্বামী বিবেকানন্দৰ জন্ম জয়ন্তী পালন

**ই-সংবাদ, তামুলপুৰ, ১২ জানুৱাৰীঃ** তামুলপুৰ জিলাৰ গুৱাবাৰীত সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচন নাগ্ৰিজুলী আঞ্চলিকৰ উদ্যোগত আৰু তামুলপুৰ জিলাৰ সহযোগত আজি স্বামী বিবেকানন্দৰ জন্মজয়ন্তী পালন কৰা হয়। ১৮৬৩ চনৰ ১২ জানুৱাৰীত জন্মগ্ৰহণ কৰা স্বামী বিবেকানন্দৰ জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি আজিৰ দিনটোতে সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচন নাগ্ৰিজুলী আঞ্চলিক সমিতিৰ নৱ নিৰ্মিত স্থায়ী কাৰ্যালয় গৃহটি আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা সংগঠনৰ পতাকা উত্তোলন কৰাৰ পিছতে স্বামী বিবেকানন্দৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি মাল্যৰ্পণ কৰে বি টি আৰৰ কাৰ্যবাহী সদস্য সজল সিংহই। একেদৰে, স্থানীয় পাৰিষদ তথা বি টি আৰৰ কাৰ্যবাহী সদস্য ডঃ ধৰ্ম নাৰায়ণ দাসে আনুষ্ঠানিক ভাবে এক মাংগলীক পৰিৱেশত নৱ নিৰ্মিত সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচন,নাগ্ৰিজুলী আঞ্চলিক সমিতিৰ স্থায়ী কাৰ্যালয় গৃহটি ফিতা কাটি শুভ উদ্বোধন কৰে। ইয়াৰ পিছতে, নাগ্ৰিজুলী আঞ্চলিক সমিতিৰ সভাপতি মিথুন দাসৰ সভাপতিত্বত অনুষ্ঠিত এক মুকলি সভা অনুষ্ঠিত হয়। সভাত ছাত্ৰ সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি দীপক দেই অংশগ্ৰহণ কৰি স্বামী বিবেকানন্দৰ জীৱন গাঁথা সম্পৰ্কে কিছু বক্তব্য আগবঢ়াই কয় যে,আমি বৌদ্ধিক দিশত আগুৱাই নগলে ভৱিষ্যত দিনবোৰ যথেষ্ট কষ্ট হব।আমাৰ লৰা ছোৱালীক খেল ধেমালিৰ প্ৰতি আকৰ্ষিত কৰাৰ সমান্তৰাল ভাবে মূলত শিক্ষাত গুৰুত্ব প্ৰদান কৰিব লাগিব। আমি আমাৰ সমাজৰ মেধা ছাত্ৰ ছাত্ৰীক আগুৱাই নিয়াৰ পথ দেখুৱাব লাগিব। শিক্ষাৰ অভাৱত জাতি এটা অতি কম সময়ৰ ভিতৰতে ভাঙি যাব পাৰে। সেয়েহে সকলোৱে নিজ নিজ অঞ্চলৰ লৰা-ছোৱালীক বিভিন্ন মাধ্যমৰ দ্বাৰা শিক্ষাৰ প্ৰতি ধাউতি বৃদ্ধি কৰি সামাজিক ভাবে ঐক্যবদ্ধ হৈ থকাৰ আহ্বান কৰে। সভাত সদৌ বি টি আৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ প্ৰাক্তন কেন্দ্ৰীয় সভাপতি শ্যামল সৰকাৰে অংশগ্ৰহণ কৰি বৰ্তমান সমাজ জীৱনৰ কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াই অঞ্চলটোৰ নৱ প্ৰজন্মই কম্পিউটাৰ শিক্ষাৰ বাবে নৱ নিৰ্মিত কাৰ্যালয় গৃহটিত এটা ডেস্কটপ প্ৰদান কৰিব বুলি ঘোষণা কৰে।একেদৰে মঞ্চত আন কেইবাজনো ব্যক্তিয়ে জাতিটোৰ উন্নয়ন আৰু সমস্যা সম্পৰ্কে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াই। শেষত সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচন তামুলপুৰ জিলাৰ সভাপতি দেৱব্ৰত সৰকাৰে শলাগৰ শৰাই আগবঢ়াই সামৰণি কৰে আজিৰ অনুষ্ঠান। আনহাতে উক্ত অনুষ্ঠানত অংশ লৈ তামুলপুৰ জিলা বিজেপিৰ সম্পাদক ভজন দাস, নাবাৰ্ডৰ প্ৰাক্তন বিষয়া হৰেন বিশ্বাস, ফেডাৰেচনৰ বাক্সা জিলাৰ প্ৰাক্তন সভাপতি তথা বৰ্তমান তামুলপুৰ জিলা দক্ষতা বিকাশৰ আহ্বায়ক পৰিমল শিল, যুৱ মৰ্চা অসম প্ৰদেশৰ ক্ৰীড়া বিভাগৰ সহ তত্বধায়ক বাপপন দাসেও নৱ নিৰ্মিত কাৰ্যালয় গৃহটিত অঞ্চলটোৰ ছাত্ৰ ছাত্ৰী লগতে সংগঠনৰ বিষয় ববীয়া সকলৰ বসুবিধাৰ বাবে কেতবোৰ আন্তঃগাঁঠনি আৰু কম্পিউটাৰ প্ৰদান কৰাৰ আশ্বাস প্ৰদান কৰে।

## সাংবাদিকৰ তৎপৰতাত জব্দ হ'ল গৰু ভৰ্তি বাহন

# অবৈধ গৰু সৰবৰাহত চকু নপৰে উত্তৰ গুৱাহাটী, আমিনগাওঁ আৰক্ষীৰ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১২ জানুৱাৰীঃ** ৰাজ্যত বৰ্তমানো অব্যাহত আছে অবৈধ গৰু সৰবৰাহ। মুখ্যমন্ত্ৰীকো কেৰেপ নকৰে যেন অবৈধ গৰু সৰবৰাহকাৰীয়ে। দিন দুপৰতে আৰক্ষীৰ চকুৰ সন্মুখেদি গাড়ীয়েদি সৰবৰাহ হয় অবৈধ গৰু। আৰক্ষী নহয় কিন্তু সাংবাদিকৰ তৎপৰাতেহে আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয় অবৈধ গৰু সৰবৰাহকাৰীক। ঘটনা অনুসৰি শনিবাৰে দিনৰ প্ৰায় ১১:৩০ মান বজাত AS:01:RC:9057 নম্বৰৰ টাটা এচি গল্ড নামৰ চাৰিচকীয়া বাহন এখনেৰে পাঁচটাকৈ গৰু উত্তৰ গুৱাহাটী আমিনগাওঁ দিশৰ পৰা আহি আছিল। উত্তৰ গুৱাহাটীৰ সাংবাদিক মধু মাধৱ দাসে উক্ত গৰু গাড়ীখন প্ৰত্যক্ষ কৰি খবৰ দিয়ে উত্তৰ গুৱাহাটী আমিনগাওঁ আৰক্ষীক। উত্তৰ গুৱাহাটী আমিনগাওঁ আৰক্ষীয়ে সাংবাদিকগৰাকীৰ খবৰ অনুসৰি জব্দ কৰিবলৈ সক্ষম হয় AS:01:RC:9057 নম্বৰৰ চাৰিচকীয়া বাহনসহ পাঁচটাকৈ গৰু। লগতে আৰক্ষীয়ে আটক কৰে গাড়ীখনৰ চালক আইৰুদ্দিন আহমেদক। চাৰিচকীয়া বাহনখনৰ চালক আইৰুদ্দিন আহমেদৰ ঘৰ দৰঙৰ গণেশকুৱৰী শালমাৰাত। বাহনখনৰ চালকগৰাকীয়ে জানিবলৈ দিয়া অনুসৰি বাহনখনত পাঁচটাকৈ গৰু হাজো দামপুৰৰ আলী হোচেইন নামৰ এগৰাকী ব্যক্তিয়ে আনিবলৈ দিছিল। চাৰিচকীয়া বাহনখনৰ স্বত্তাধিকাৰী দৰং গণেশকুৱৰী শালমাৰাৰ আল্লাআদিন আহমেদ। গাড়ীৰ চালক আৰু গাড়ীখনৰ স্বত্বাধিকাৰীগৰাকী সম্পৰ্কত ভাই-ককাই। আমিনগাওঁ আৰক্ষীয়ে ঘটনা সন্দৰ্ভত গোচৰ পঞ্জীয়ন কৰি চালকগৰাকীক জেললৈ প্ৰেৰণ কৰে।

# চতিয়াত এশ ফুট দৈৰ্ঘ্যৰ নাও আকৃতিৰ বিশাল মেজি ঘৰ নিৰ্মাণ



**ই-সংবাদ,চতিয়া, ১২ জানুৱাৰীঃ** হেঁপাহৰ ভোগালী বিহুলৈ হাতত মাথো আৰু এটা দিন বাকী। ভোগালী বিহুত বিশ্বনাথ জিলাৰ চতিয়াৰ চতিয়াল গাঁওৰ ৰাইজে নিৰ্মাণ কৰি উলিয়াইছিল এশ ফুট দৈৰ্ঘ্যৰ নাও আকৃতিৰ এটা বিশাল ভেলাঘৰ। গাঁওখনৰ ভোগজৰা ক্ষেত্ৰত গাঁৰৰ বৃদ্ধ বনিতা ,যুৱক,যুৱতী সকলোয়ে মিলি নিৰ্মাণ কৰা এই নাও আকৃতিৰ ভেলাঘৰত উৰুকাৰ নিশা লগেভাগে এসাজ খাবলৈ সাজু হৈ উঠিছে। অকল ভেলাঘৰেই নহয়, ৰাইজে নৰাৰে নিৰ্মাণ কৰি উলিয়াইছে অসমীয়া সংস্কৃতিৰ বিভিন্ন দৃশ্যপট নদীত জালেৰে মাছ ধৰাৰ দৃশ্য,পলহত মাছ ধৰাৰ দৃশ্যৰ লগতে বৰটোকালা চৰাইয়ে মাছ খোৱাৰ দৃশ্যও। প্ৰায় পোন্ধৰ দিন ধৰি নিৰ্মাণ কৰাৰ অন্তত চতিয়াল গাঁওৰ ৰাইজে ইতিমধ্যে সম্পূৰ্ণ কৰি উলিওৱা এই নাও সদৃশ ভেলাঘৰ এতিয়া সকলোৰে বাবে হৈছে আকৰ্ষণৰ কেন্দ্ৰবিন্দু।

# অসম জাঃযুঃছাঃ পৰিষদৰ বকো আঞ্চলিক সমিতি গঠন

**ই-সংবাদ, গুৱাহাটী, ১২ জানুৱাৰীঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বকো আঞ্চলিক সমিতি গঠন কৰাৰ উদ্দেশ্যে কালি বিয়লি এখনি গুৰুত্বপূৰ্ণ সভা বনগাঁও বজাৰ কাৰ্যালয় প্ৰাংগনত যুৱ ছাত্ৰ পৰিষদৰ কামৰূপ জিলা আহ্বায়ক সমিতিৰ মুখ্য আহ্বায়ক মদন দাসৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত হৈ যায়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলাৰ আহ্বায়ক শীৰষ দাসে । সভাত যুৱ ছাত্ৰ পৰিষদৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে বিনোদ কলিতা, অদিতি কলিতা, সঞ্জয় বিশ্বাস, কনক দাস, ৰাজা বৰুৱা, দীপজ্যোতি দাস, অমল শৰ্মা, আমিৰ হুছেইনে আদিয়ে বক্তব্য দাঙি ধৰে। সভাই সৰ্বসন্মতিক্ৰমে মহৎ বড়োক সভাপতি, জয়ন্ত বৰ্মন আৰু ফুকন ৰাভাক উপ-সভাপতি, দীপ দত্তক সাধাৰণ সম্পাদক, ৰাহুল ৰহমান, ৰঞ্জিৎ দাস, দীপক দাসক সহকাৰী সম্পাদক, ভৱেশ বৰ্মন, সুৰয কলিতা, প্ৰণয় মজুমদাৰক সাংগঠনিক সম্পাদক,সমিধৰ দাসক সাংস্কৃতিক সম্পাদক, নৱজিৎ দাসক প্ৰচাৰ সম্পাদক, দীপাংকৰ মণ্ডলক ক্ৰীড়া সম্পাদক,হিচাপে লৈ এখনি শক্তিশালী ৩১ জনীয়া কাৰ্যকৰী সমিতি গঠন কৰা হয়।

# তিনিচুকীয়া জিলা সাহিত্য সভাৰ শ্ৰেষ্ঠ শাখা, সংগঠকৰ বঁটাপ্ৰাপকৰ নাম ঘোষণা

**ই-সংবাদ, ডুমডুমা, ১২ জানুৱাৰীঃ** তিনিচুকীয়া জিলা সাহিত্য সভাই ২০২২-২৪ বৰ্ষৰ শ্ৰেষ্ঠ শাখা আৰু শ্ৰেষ্ঠ সংগঠকৰ বঁটা প্ৰাপকৰ নাম ঘোষণা কৰিছে। শনিবাৰে অনুষ্ঠিত জিলাৰ কাৰ্যনিৰ্বাহক সভাত নিৰ্বাচক মণ্ডলীয়ে কৰা ঘোষণা অনুসৰি তিনিচুকীয়া জিলাৰ শ্ৰেষ্ঠ শাখা হিচাপে বিবেচিত হৈছে শদিয়া শতদল শাখা সাহিত্য সভা। আনহাতে, জিলাৰ শ্ৰেষ্ঠ সংগঠক হিচাপে শতদল শাখা সাহিত্য সভাৰ সম্পাদক তথা অসম সাহিত্য সভাৰ আমন্ত্ৰিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দেবেন মনু ডেকাৰ নাম ঘোষণা কৰে নিৰ্বাচক মণ্ডলীয়ে। উল্লেখ্য যে, প্ৰতি দুবছৰৰ মূৰে মূৰে তিনিচুকীয়া জিলা সাহিত্য সভাই এই বঁটা প্ৰদান কৰি আহিছে। চলিত মাহৰ ১৮ আৰু ১৯ জানুৱাৰীত তৈল নগৰী ডিগবৈত অনুষ্ঠিত হ'বলগীয়া তিনিচুকীয়া জিলা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনত উক্ত বঁটা দুটি প্ৰদান কৰা হ'ব বুলি তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি মোহণ মৰাণে জানিবলৈ দিয়ে।



তামুলপুৰৰ গুৰাবাৰীত স্বামী বিবেকানন্দৰ জন্ম জয়ন্তী পালনৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, তামুলপুৰ

# তামুলপুৰত প্ৰাক্ ভোগালী উৎসৱ উদযাপন

**ই-সংবাদ,তামুলপুৰ ১২ জানুৱাৰীঃ** তামুলপুৰ সাংস্কৃতিক মঞ্চৰ উদ্যোগত প্ৰথম বাৰৰ বাবে তামুলপুৰৰ মাজমজিয়াত অৱস্থিত প্ৰায়ত লেহোৰাম বড়ো ক্ষেত্ৰত আজি ১২ জানুৱাৰীত এদিনীয়া কাৰ্যসূচীৰে প্ৰাক্ ভোগালী উৎসৱ অনুষ্ঠিত কৰা হয়। আজি পুৱা ৮:০০ বজাত তামুলপুৰ সাংস্কৃতিক মঞ্চৰ পতাকা উত্তোলন কৰে তামুলপুৰ সাংস্কৃতিক মঞ্চৰ সভাপতি অনুপ নাথে । ৮:১৫ বজাত প্ৰাক্ ভোগালী বিহুৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি হৃদয় পৰশে । ৮:৩০ বজাত স্মৃতি তৰ্পণ কৰে তামুলপুৰ জিলা বিজেপিৰ সভাপতি ভিক্টৰ কুমাৰ দাস আৰু নাগ্ৰীজুলিৰ বিশিষ্ট সমাজকৰ্মী ভজন দাসে । ৮:৪৫ বজাত মুখ্যদ্বাৰ উন্মোচন কৰা হয়। ৯:০০ বজাত খেল-ধেমালি আৰু পিঠাপোন প্ৰতিযোগিতা অনুষ্ঠিত হয় । ১২:০০ বজাত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰে যুৱ সমাজকৰ্মী স্বপন সিংহাই । সন্ধীয়া অনুষ্ঠিত হয় নৃত্য পৰিৱেশন । উদ্বোধন কৰে জলসিঞ্চন বিভাগৰ গোৰেশ্বৰৰ সহঃ গাণনিক ডেইজী দাসে । অনুষ্ঠানত অংশগ্ৰহণ কৰে নৃত্যাঞ্জলী কলাকৃষ্টি কেন্দ্ৰ আৰু ক্ৰিয়েটিভ নৃত্য একাডেমিৰ শিল্পী সকলে । সন্ধিয়া বন্তি প্ৰজ্বালন কাৰ্যসূচী ৰূপায়ন কৰে স্থানীয় বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলে । ৫:০০ বজাত সাংস্কৃতিক মঞ্চ উদ্বোধন কৰা হয়। সন্ধিয়া ৫:১৫ বজাত বঁটা আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠান সন্ধিয়া ৬:০০ বজাত গীত মাতৰ এসন্ধ্যা উদ্বোধন কৰা হয় । নিশা চৌকাশে জুই ৰ উত্তাপ লৈ শীতৰ আমেজত এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰি গীতে মাতে শীতৰ সন্ধিয়াটো জীপাল কৰি তোলে । শীতৰ সন্ধিয়াত বিভিন্ন জনে গীত- মাত নৃত্য পৰিবেশন কৰি ৰসাল আড্ডাত তামুলপুৰৰ শিল্পী সাংস্কৃতিক কৰ্মী ছাত্ৰ নেতাকে ধৰি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে অংশ গ্ৰহন কৰে।

# ৰঙিয়াত 'পংকজ পল্লৱ শৰ্মাৰ সান্নিধ্যত' শীৰ্ষক অভিনন্দন গ্ৰন্থ উন্মোচন

**ই-সংবাদ, ৰঙিয়া, ১২ জানুৱাৰীঃ** ৰঙিয়াৰ ৰাইজমেল কৃষক ছহিদ ভৱন প্ৰেক্ষাগৃহত শনিবাৰে সন্ধিয়া সংস্কৃতিৰ সাধক পংকজ পল্লৱ শৰ্মাৰ ২৫ বছৰীয়া সাংস্কৃতিক যাত্ৰা উপলক্ষে প্ৰকাশ কৰা 'পংকজ পল্লৱ শৰ্মাৰ সান্নিধ্যত' শীৰ্ষক অভিনন্দন গ্ৰন্থখনৰ প্ৰস্তাৱনা সংখ্যা উন্মোচন কৰে স্থানীয় বিধায়ক তথা বিজেপি দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই। কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত উন্মোচনী সভাত অংশ লৈ গ্ৰন্থ প্ৰণেতাসকলক সদায় উৎসাহ যোগাই অহা বুলি মন্তব্য কৰি কয় যে গ্ৰন্থৰ জৰিয়তেহে জনসাধাৰণে প্ৰজ্ঞাৰ সন্ধান কৰিব পাৰে। গ্ৰন্থখনৰ সম্পাদক চৈয়দ মোস্তাফা আহমেদে আঁত ধৰা সভাত বাঘমাৰাৰ নৰ্থ কামৰূপ কলেজৰ সহকাৰী অধ্যাপক ড০ নীলোৎপল শৰ্মাই অলেখ প্ৰত্যাহ্বান নেওচি পংকজ পল্লৱ শৰ্মাই ২৫ বছৰীয়া সাংস্কৃতিক যাত্ৰাৰ জৰিয়তে সমাজ জীৱনলৈ আগবঢ়োৱা অৱদান প্ৰশংসনীয় ৰূপে অভিহিত কৰে। লেখক তথা কলা সমালোচক অংকুৰ ডেকা, ৰঙিয়া সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নৰজিৎ নাথে, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দুলাল শৰ্মা, অভিনেতা তথা সামাজিক কৰ্মী ভৱেশ ডেকা, উত্তৰ কামৰূপ বিজেপিৰ সভাপতি ভাস্কৰ জ্যোতি কলিতা, সাহিত্য কৰ্মী হেমন্ত কলিতা (হেমেন), কবি উজ্বল ডেকা, আলিপুৰ আহমেদ, সংগীতা ডেকা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অনুপমাদেৱীও সভাত ভাষণ প্ৰসংগত শিল্পীগৰাকীৰ বৰ্ণিল জীৱনৰ ওপৰত আলোকপাত কৰে। অধ্যাপিকা লিলি নাথে পৰিৱেশন কৰা বৰগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত ৰঙিয়াৰ সাহিত্য-সংস্কৃতিৰ সৈতে জড়িত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# যোৰহাট হৰিজন কলনীত আম্বেদকাৰ ভৱনৰ শুভ উদ্বোধন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১২ জানুৱাৰীঃ** আজি যোৰহাট হৰিজন কলনীত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ উপস্থিতিত যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে এম পি এল এ ডি এছ ২০২৩-২৪ বৰ্ষৰ অধীনত নিৰ্মিত দুমহলীয়া আম্বেদকাৰ ভৱনৰ শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত বিধায়কগৰাকীয়ে ভাষণ প্ৰদান কৰি এই ভৱনটিয়ে সামাজিক সমতা আৰু সৱলীকৰণৰ প্ৰসাৰৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি হিচাপে অঞ্চলটোত এক বৃহৎ প্ৰভাৱ পেলাব বুলি উল্লেখ কৰি হৰিজন কলনীৰ উত্তৰোত্তৰ কামনা কৰে। বিধায়কগৰাকীয়ে সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ এই প্ৰচেষ্টাক আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰে।অনুষ্ঠানত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই ভাষণ প্ৰদান কৰি আম্বেদকাৰ ভৱনটিয়ে সামাজিক সমতা আৰু ন্যায়ৰ ৰেখা হিচাপে কাম কৰি ভৱিষ্যত প্ৰজন্মক অধিক সৰ্বাংগীন সমাজৰ বাবে চেষ্টা কৰিবলৈ অনুপ্ৰাণিত কৰিব বুলি উল্লেখ কৰে। উদ্বোধনী অনুষ্ঠানত যোৰহাট জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, যোৰহাট পৌৰসভাৰ উপ-পৌৰপতি প্ৰমুখ্যে ভালেসংখ্যক গণ্য-মান্য ব্যক্তি আৰু হৰিজন কলনীৰ ৰাইজ উপস্থিত থাকে।

# জাগীৰোড কেঁচা মাছ ব্যৱসায়ী সন্থাৰ মৎস্য মেলা উদ্বোধন



**ই-সংবাদ, জাগীৰোড, ১২ জানুৱাৰীঃ** ভোগালী বিহু উপলক্ষে জাগীৰোডত আৰম্ভ হৈছে মাছৰ মেলা । জাগীৰোড কেঁচা মাছ ব্যৱসায়ী সন্থাৰ উদ্যোগত ১২জানুৱাৰীৰ পৰা দুদিনীয়াকৈ আয়োজন কৰা এই মাছৰ মেলা শুভ উদ্বোধন কৰে অসম সৌৰভ বঁটাপ্ৰাপক তিৱা লোকনৃত্য গুৰু নাদিৰাম দেউৰীয়ে । এই মাছৰ মেলাত ৰাজ্যৰ খাল-বিল, নৈ আদিৰ মাছৰ লগতে বহিঃৰাজ্যৰ পৰাও আমদানি হৈছে বহু মাছ । চিতল, ৰৌ, বৰালি, ভকুৱা, আৰি আদি বিভিন্ন মাছেৰে উভৈনদী হৈ পৰিছে মাছৰ মেলাথলী। সেয়ে সকলো ৰাইজৰ সহাঁৰি কামনা কৰিছে মৎস্য ব্যৱসায়ী সন্থাই । মেলা উদ্বোধনী অনুষ্ঠানত জাগীৰোড উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ দিব্যজিৎ নেওগ, জ্যেষ্ঠ সাংবাদিক মনোৰঞ্জন মিশ্ৰ আদি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে ।

## ২০২৫ চনৰ শেষত প্ৰকল্পটি নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ পৰিকল্পনা

# আলাবৈ ৰণ ক্ষেত্ৰ পৰিদৰ্শন কামৰূপ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ

**ই - সংবাদ শুৱালকুছি , ১২ জানুৱাৰী :** শৰাইঘাটৰ যুদ্ধৰ পূৰ্বে আন এখন বিখ্যাত যুদ্ধ হৈছিল। অসম আৰু অসমীয়াৰ অস্তিত্বৰ সুৰক্ষাৰ বাবে এই যুঁজত প্ৰায় ১০ হাজাৰ আহোম সেনাই প্ৰাণ ত্যাগ কৰিছিল । এই ঐতিহাসিক ৰণ ক্ষেত্ৰ আজি কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই পৰিদৰ্শন কৰে । উল্লেখ্য আহোম আৰু মোগলৰ মাজত সংঘটিত হোৱা দহ হাজাৰ শ্বহীদৰ ত্যাগ বিজড়িত ঐতিহাসিক আলাবৈ যুদ্ধৰ স্মৃতি চিৰযুগমীয়া কৰাৰ কাৰণে পছৰীয়াৰ আলাবৈ পাহাৰত আলাবৈ স্মৃতিসৌধ প্ৰকল্পৰ কাম ইতিমধ্যেই আৰম্ভ কৰিছে তামিলনাডুৰ ৰেংক প্ৰজেক্ট ডেভেলপমেণ্ট প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠানটোৱে । ইতিমধ্যেই আলাবৈ পাহাৰখনত স্মৃতি সৌধৰ নিৰ্মাণ কাৰ্য্য চলি আছে । ২০২২ বৰ্ষৰ ২৫ ফেব্ৰুৱাৰীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কবিন্দে গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰৰ পৰা ভাৰ্চুৱেল মাধ্যমৰ যোগেদি কামৰূপৰ পছৰীয়াত আলাবৈ স্মৃতিসৌধ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ পিছতে অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগে প্ৰকল্পটোৰ বাবে ৪তামিলনাডুৰ এই প্ৰতিষ্ঠানটোক আলাবৈৰ প্ৰকল্পৰ বাবে দায়িত্ব অৰ্পন কৰে। এই নিৰ্মাণ প্ৰকল্পস্থলীতে কামৰূপ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই পৰিদৰ্শন কৰি নিৰ্মাণৰ বুজ লয় । কামৰূপ জিলা আয়ুক্ত নিৰ্মাণ পৰিদৰ্শন কৰি কয় যে সাহস আৰু আত্মবলিদানৰ এক অনুপম নিদৰ্শন হৈছে 'আলাবৈৰ ৰণ'। এই ৰণৰ স্মৃতি চিৰযুগমীয়া কৰিবলৈ ৰাজ্য চৰকাৰে বিশেষ পদক্ষেপ লৈছে । এই নিৰ্মাণ প্ৰকল্পৰ কাম কাজ বুজ লোৱাৰ উদেশ্য আয়ুক্ত গৰাকীয়ে ঐতিহাসিক ক্ষেত্ৰ পৰিদৰ্শন কৰা বুলি মন্তব্য কৰে । আনহাতে ২০২৫ চনৰ শেষৰ ফালে এই প্ৰকল্পটি নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ পৰিকল্পনা নিৰ্মাণ প্ৰতিষ্ঠানটোৰ । আজিৰ এই পৰিদৰ্শন সময়ছোৱাত কামৰূপ আয়ুক্তৰ সৈতে উপস্থিত থাকে হাজো ৰাজহ চক্ৰ বিষয়া আফ্ৰিন হুছেইন , শৰাইঘাট জাৰ্ণেলিষ্ট ফৰা'মৰ হে জ্যেষ্ঠ সাংবাদিক মধুসুদন মেধী , আলাবৈ সুৰক্ষা সমিতিৰ সম্পাদক ৰিদিপ জ্যোতি কলিতাকে আদি উপস্থিত থাকে

# কিশোৰী হত্যাকাৰীক গ্ৰেপ্তাৰৰ দাবীত তালাপ আৰক্ষী চকী ঘেৰাও

**ই-সংবাদ, ডুমডুমা, ১২ জানুৱাৰীঃ** কিশোৰী হত্যাকাৰীক গ্ৰেপ্তাৰ কৰক, দুখীয়াক মৰাটো বন্ধ কৰক, শ্ৰমিক ঐক্য জিন্দাবাদ, গাড়ী মালিক আৰু আৰক্ষীৰ গোপন মিতিৰালি নচলিব, আটছা জিন্দাবাদ, পুলিচ-প্ৰশাসন মূৰ্দাবাদ - ইত্যাদি বিভিন্ন প্ৰতিবাদী শ্লো'গানেৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ আহ্বানত শনিবাৰে সন্ধিয়া তিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকী ঘেৰাও কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে পৰে শতাধিক ৰাইজে। উল্লেখ্য যে, যোৱা ৮ ডিচেম্বৰত ছৈখোৱাৰ ঐতিহাসিক " বাবু পূজা " ৰ দিনা তালাপ আৰক্ষীৰ লগতে জিলা প্ৰশাসনৰ গাফিলতিৰ দুৰ্বল ভূমিকাৰ বাবেই এ এছ ২৩ বিচি ২৫২৯ নম্বৰৰ এখন ৭০৯ ট্ৰাকে ছৈখোৱাঘাট অভিমুখী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ তালাপ বালিবজাৰস্থিত কালিবাড়ীৰ সন্মুখত খুন্দিয়াই তালাপ আৰক্ষী চকীৰ এলেকাধীন মিচিমিকটা গাঁৱৰ বালীয়া প্ৰজা আৰু মমী প্ৰজাৰ দুই বছৰীয়া কন্যা আনিছা প্ৰজাক মৃত্য প্ৰাণ কাঢ়ি পলায়ন কৰে। দুৰ্ঘটনাত আঘাটপ্ৰাপ্তও হৈছিল মাতৃ মমী প্ৰজা। পিছত আটছাৰ তালাপ শাখাৰ তৎপৰতাত লুকুৱাই থোৱা অৱস্থাত উদ্ধাৰ হৈছিল দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখন। দুৰ্ঘটনাৰ পাছতে ট্ৰাকখন লুকুৱাই পেলোৱাৰ চেষ্টা কৰিছিল যদিওঁ আটছাৰ তালাপ শাখাৰ কৰ্মীসকলে তালাপ বজাৰৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানৰ চি চি ফুটেজ পৰীক্ষা কৰি ট্ৰাকখন ধৰা পেলাই তালাপ আৰক্ষীক চমজাই দিছিল। জব্দকৃত তথা দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখনৰ সকলো নথি-পত্ৰৰ ম্যাদ উকলি যোৱাটো ধৰা পৰে যদিওঁ গাড়ীখন সম্প্ৰতি নিতৌ ৰাজপথত চলাচল কৰাক লৈ আৰু লগতে উক্ত দুৰ্ঘটনাৰ এমাহ উকলি যোৱাৰ পাছতো ভুক্তভোগী পৰিয়ালে আজি পৰ্যন্ত কোনো ধৰণৰ সঁহাৰি তথা ন্যায় আৰু ক্ষতিপূৰণ লাভ নকৰিলে। দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখনক আৰক্ষীয়ে



এৰি দিয়াক লৈ আটছাৰ তালাপ শাখাৰ আহ্বানত মিচিমিকটা অঞ্চলৰ শতাধিক ৰাইজে কালি সন্ধিয়া তালাপ আৰক্ষী চকীৰ সন্মুখত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে, দুৰ্ঘটনা সংঘটিত কৰা বাহনৰ সকলো নথি-পত্ৰ পৰীক্ষা-নিৰীক্ষা কৰাৰ লগতে নথি-পত্ৰৰ ম্যাদ উকলি গ'লে আইনমতে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে যদিওঁ উক্ত ঘটনাৰ ক্ষেত্ৰত সেয়া হৈ নুঠিল। যাক লৈ আটছা ক্ষোভিত হৈ পৰে। ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনা সংঘটিত কৰি এজনী ফুলকুমলীয়া শিশুৰ প্ৰাণ কাঢ়ি নিয়া ট্ৰাকখনৰ ক্ষেত্ৰত এই পৰিবহণ বিভাগৰ আইন কিয় প্ৰযোজ্য নহ'ল বুলি আটছাৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি জগত নায়কে প্ৰশ্ন তুলি এইক্ষেত্ৰত আৰক্ষীয়ে গাড়ীৰ মালিকৰ লগত গোপন বুজাবুজিত লিপ্ত থকাৰো অভিযোগ তোলে। লগতে নেতাগৰাকীয়ে উক্ত ঘটনাৰ এক উচ্চ পয্যায়ৰ তদন্ত দাবী কৰি ভুক্তভোগী পৰিয়ালটিক ন্যায় প্ৰদান কৰিবলৈ চৰকাৰ-প্ৰশাসনক আহবান জনায়। ৰাজনৈতিক নেতাৰ আশীষপুষ্ট বুলি অভিযোগ উত্থাপিত হোৱা তথা ঘটনা সংঘটিত কৰা গাড়ীখনৰ মালিক তালাপৰ জনৈক শ্বাহৰ দৰে তথাকথিত ব্যক্তিক কৰায়ত্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ভুক্তভোগী পৰিয়ালটিক ২০ লাখ টকাৰ ক্ষতিপূৰণৰো দাবী তুলিছে আটছাৰ তালাপ শাখাই।

# অসমীয়াৰ গৃহস্থী আৰ্হিৰ টিঙিৰীমৰাত ভেলাঘৰ নিৰ্মাণ



**ই-সংবাদ, পশ্চিম যোৰহাট, ১২ জানুৱাৰী :** অসমীয়া গৃহস্থী লোকৰ বাসগৃহৰ লগতে গোসাঁই ঘৰ, ভঁৰাল ঘৰ, গোহালি, ধান-খেৰৰ মেজি, ধেঁকীশাল, জেওৰা-নঙলা, খেতিৰ সঁজুলি, মাছধৰা সঁজুলী, গৰুগাড়ী, হাৰিকেন লেম্প, চাকি, ভোটা, পৌৰাণিক সামগ্ৰী প্ৰদৰ্শনেৰে পশ্চিম যোৰহাটৰ খঙীয়া মৌজাৰ টিঙিৰীমৰা কুমাৰ গাঁৱত নিৰ্মাণ কৰি উলিয়াইছে ভেলাঘৰ। গাঁওখনৰ মনোজ বৰা, সীমান্ত, জিণ্টু, ৰাজেন কলিতাৰ উদ্যোগত প্ৰবীণ কলিতা আৰু বাবুল কলিতাৰ বিশেষ সহযোগত গাঁওখনৰ ৬০ টা পৰিয়ালে প্ৰায় একসপ্তাহত সাজি উলিওৱা ভেলাঘৰৰ স্থলীত তামুল, পাণ, কলগছ, অন্যান্য গছৰ লগতে অসমীয়া গৃহস্থীৰ আগচোতাল, পিছচোতাল, তুলসী ভেটি, যাতায়াত কৰা পথৰ দুয়োকাষে জেওৰা-নঙলা, ঢাপত জেওৰা, পানী নিষ্কাশনৰ বাবে খাল খান্দি প্ৰতীকপটেৰে অসমীয়া গৃহস্থীৰ আৱাসস্থলীৰে সাজি উলিওৱা ভেলাঘৰ বহুসংখ্যক লোকে দৰ্শন কৰিছে। এই ভেলাঘৰত কাইলৈ দিনত ভোজ-ভাত, নিশালৈ নাম-কীৰ্তন কৰাৰ উপৰি পাত মেজি, খেৰৰ মেজি, কাঠৰ মেজি জ্বলাই বিহুৰ দিনা গাঁওখনৰ ৬০ ঘৰ বাসিন্দাৰ লগতে অঞ্চলটোৰ বহুসংখ্যক বৰেণ্য ব্যক্তিৰ উপস্থিতিৰে ভোগালী বিহুৰ জলপানৰ লগতে অন্যান্য সামূহীয়াকৈ খাব। ২০২০ চনৰ পৰা গাঁওখনৰ লোকসকলে সামূহীয়াকৈ এই কাৰ্য কৰি আহিছে আৰু ভৱিষ্যতেও কৰি থকাৰ পৰিকল্পনাত আছে। গাঁওখনৰ প্ৰতিঘৰ লোকেই কুমাৰ শিল্পৰ লগত জড়িত।

# নাৰায়ণা বিদ্যালয়ত প্ৰাক ভোগালী বিহুৰ আয়োজন

**ই-সংবাদ, ১২ জানুৱাৰীঃ** বিগত বছৰবোৰৰ দৰে এই বছৰো ভোগালী বিহুৰ প্ৰাক্কক্ষণত নাৰায়ণা বিদ্যালয়ৰ প্ৰাংগনত প্ৰাক ভোগালী বিহুৰ আয়োজন কৰা হয়। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ -ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠানটি সফলতাৰে অনুষ্ঠিত কৰা হয়। অনুষ্ঠান উপলক্ষে পুৱা বিদ্যালয়ৰ প্ৰাংগনত মেজিক কেন্দ্ৰ কৰি ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ কাৰ্য্যসূচী প্ৰদৰ্শন কৰে। অনুষ্ঠানটোৰ মুখ্য আকৰ্ষণ আছিল কণীযুঁজ আৰু টেকেলি ভঙা প্ৰতিযোগিতা। বিদ্যালয়ৰ কেবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ভোগালী বিহুক লৈ নিজৰ অভিমত দাঙি ধৰে। ইয়াৰ পিছতে বিদ্যালয়ৰ অধ্যক্ষাই ভোগালীৰ মেজিত অগ্নি সংযোগ কৰে আৰু সকলোৱে একেলগে অগ্নিসেৱা কৰে। শেষত বিদ্যালয়ৰ অধ্যক্ষাৰ ভাষণেৰে অনুষ্ঠানটোৰ সফল সামৰণি পৰে।

# কামপুৰৰ ধৰ্মপৰায়ণ ব্যক্তি চন্দ্ৰকান্ত ভূঞাৰ বিয়োগ, শোকৰ ছাঁ



**ই-সংবাদ, কামপুৰ, ১২ জানুৱাৰীঃ** নগাঁও জিলাৰ কামপুৰৰ পূব তেতেলীসৰা গাঁৱৰ ধৰ্মপৰায়ণ ব্যক্তি তথা কামপুৰৰ সাংবাদিক ৰূপজ্যোতি ভূঞাৰ পিতৃ চন্দ্ৰকান্ত ভূঞা (৯২)ৰ বাৰ্ধক্যজনিত কাৰণত আজি পুৱা নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। বিভিন্ন সামাজিক আৰু ধৰ্মীয় কামত জড়িত ভূঞাৰ বিয়োগৰ খবৰ বিয়পি পৰাত গুণমুগ্ধসকল তেওঁৰ বাসগৃহত উপস্থিত হৈ নশ্বৰদেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। ভূঞাৰ মৃত্যুত অঞ্চলটোত এক শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ, তিনিগৰাকী জীয়ৰী, বোৱাৰী-নাতিসহ বহু আত্মীয় স্বজনক ইহ-সংসাৰত এৰি থৈ গৈছে।

# বৰচহকী গাঁৱত গভীৰ নলীনাদ আঁচনিৰ শুভাৰম্ভ মন্ত্ৰী যোগেন মহনৰ




**ই-সংবাদ, সোণাৰি, ১২ জানুৱাৰীঃ** কংগ্ৰেছ কেতিয়াও হিৰ' হ'ব নোৱাৰে। কংগ্ৰেছ নেতাসকল হতাশ হৈ যি টি কথা ক'বলৈ আৰম্ভ কৰিছে। প্ৰতিটো নিৰ্বাচনতে হাৰি আছে কংগ্ৰেছ। উপ নিৰ্বাচনেই তাৰ প্ৰমাণ। বৰ্তমানৰ বিজেপি চৰকাৰে নিৰ্বানৰ আগতে দিয়া প্ৰতিশ্ৰুতি অনুসৰি জনসাধাৰণৰ উন্নয়নৰ বাবে কাম কৰিবলৈ সদায় প্ৰস্তুত থকাই নহয় সকলো শ্ৰেণীৰ লোক যাতে উপকৃত হ'ব পাৰে তাৰ বাবে আঁচনি গ্ৰহণ কৰিছে। সেয়েহে বিজেপি চৰকাৰৰ প্ৰতি ৰাইজৰ আস্থা আছে। কৃষি, প্ৰযুক্তি, শিক্ষা, সংস্থাপন আদি প্ৰতিটো দিশতে উন্নয়নমূলক কামবোৰ দায়িত্ব সহকাৰে গ্ৰহণ কৰিছে চৰকাৰে। তাকে দেখি কংগ্ৰেছী নেতাবোৰে চৰকাৰে বিৰুদ্ধে একো ইচ্ছু উলিয়াব নোৱাৰি এতিয়া আবোল-তাবোল বকিবলৈ আৰম্ভ কৰিছে। মাহমৰা সমষ্টিৰ অন্তৰ্গত ডবা পঞ্চায়তৰ বৰচহকী গাঁৱ (খাৰঘৰীয়া দেওধাই)ত জলসিঞ্চন বিভাগৰ নাবাৰ্ড xxx, ২০২৪-২৫ৰ অধীনত স্থাপন হ'বলগীয়া গভীৰ নলীনাদ আঁচনিৰ শুভাৰম্ভ কৰি এই মন্তব্য আগবঢ়ায় ৰাজ্যৰ মন্ত্ৰী যোগেন মহনে। চৰাইদেউ জিলা জলসিঞ্চন বিভাগৰ মহকুমা বিষয়া ৰমেন চেতিয়া, টাই আহোম উন্নয়ন পৰিষদৰ সদস্য মণ্টু কোঁৱৰ, সমাজকৰ্মী ৰাজ কমল মহনৰ লগতে বহু কেইগৰাকী বিষয়া তথা সমাজকৰ্মী আৰু স্থানীয় লোকৰ উপস্থিতিত গভীৰ নলীনাদ আঁচনিখন শুভাৰম্ভ কৰি কেবিনেট মন্ত্ৰী যোগেন মহনে কয়, অসমৰ কৃষকৰ উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা আঁচনিৰ জৰিয়তে বৰ্তমান সময়ত কৃষকসকলউপকৃত হৈছে। চৰকাৰে ধানৰ নিৰিখ নিৰ্ধাৰণ কৰা বাবে পূৰ্বৰ তুলনাত ধানৰ মূল্য বৃদ্ধি পোৱাত কৃষকসকল লাভান্বিত হৈছে। আনহাতে জলসিঞ্চন বিভাগৰ জৰিয়তে পথাৰত পানী যোগান ধৰাৰ পৰিকল্পনাৰ জৰিয়তে বছৰটোত অতি কমেও যাতে তিনিটা খেতি কৰিব পাৰে তাৰ সুবিধাৰ্থে গভীৰ নলীনাদ আঁচনিৰ কৃষকৰ মাজত প্ৰসাৰ কৰা হৈছে। মুঠৰ ওপৰত খাটি খোৱা লোকসকলৰ সৰ্বাংগীন উন্নতিৰ বাবে চৰকাৰে অহৰহ চেষ্টা অব্যাহত ৰাখিছে। ইফালে ৰাজ্যৰ পৰিবহণ, পাৰ্বত্য উন্নয়ন, সমবায়, খিলঞ্জীয়া আৰু জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী যোগেন মহনে পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, চৰকাৰে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সাজু আছে যদিও নিৰ্বাচনৰ বিষয়টো ন্যায়ালয়ৰ বিচাৰাধীন হৈ থকা বাবে নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নাই। বিজেপি দলে ন্যায়ালয়ক সন্মান জনাই। সেয়েহে ন্যায়ালয়ৰ ৰায়লৈ অপেক্ষা কৰিছে । তাৰ পিছতেই পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিব । আনহাতে উমৰাংছুৰ কয়লা খনিত সংঘটিত ঘটনা সন্দৰ্ভতো নিজৰ মত প্ৰকাশ কৰি অনাগত দিনত এই ধৰণৰ কাৰ্য যাতে সংঘটিত নহয় তাৰ কামনা কৰে মন্ত্ৰী গৰাকীয়ে।

# ডুমডুমা হুনলাল উঃ মাঃ বিদ্যালয়ত মন্ত্ৰী ৰূপেশ গোৱালা

**ই-সংবাদ, ডুমডুমা, ১২ জানুৱাৰীঃ** চাহ নগৰী ডুমডুমা নগৰস্থিত ডুমডুমা হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসটি আজি বিদ্যালয়খনৰ প্ৰাংগণত অৱস্থিত ৰং বিৰং মুকলি মঞ্চত উদযাপন কৰা হয়। এই উপলক্ষে, পুৱা প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগ ( গৃহৰক্ষী, কাৰাগাৰ আৰু অসামৰিক প্ৰতিৰক্ষা ) ৰ মন্ত্ৰী ৰূপেশ গোৱালাই। আনহাতে, বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ অধ্যক্ষ মহম্মদ অলিপ খানে। ইয়াৰ পাছতেই অনুষ্ঠিত হোৱা সভাত আদৰণি ভাষণ প্ৰদান কৰে অধ্যক্ষ অলিপ খানে। নিজৰ ভাষণত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান ৰাজ্য চৰকাৰৰ নৱনিযুক্ত মন্ত্ৰী ৰূপেশ গোৱালাই তেওঁৰ ছাত্ৰ অৱস্থাৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে বিদ্যালয়খনৰ বাবে চৰকাৰে লোৱা



পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। তেওঁ প্ৰতিষ্ঠা দিৱসৰ কে'কো কাটে। আজিৰ অনুষ্ঠানত বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা সীমা চৌধুৰী, অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে প্ৰসাদ সোণোৱাল, মৃগেন শইকীয়া, গৌৰীশংকৰ চেতিয়া আৰু অঞ্জু হাতীবৰুৱা, অনিমা দত্ত শইকীয়াক বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিদ্যালয়খনৰ



ছাত্ৰ-ছাত্ৰীসকলে দিহানাম আৰু গোৱালপৰীয়া লোকগীত পৰিৱেশন কৰে। আনহাতে, অৱসৰপ্ৰাপ্ত শিক্ষক গৌৰীশংকৰ চেতিয়াই এটি স্বৰচিত কবিতা পাঠ কৰাৰ লগতে ' আজান ফকীৰ ' ৰ নামত বিদ্যালয়খনৰ চৌহদত এটা গছপুলি ৰোপণ কৰে। সভাত উপস্থিত কেইবাজনো ব্যক্তিয়ে বিদ্যালয়খনৰ বিষয়ে নিজৰ নিজৰ অনুভৱ ব্যক্ত কৰে। শেষত, অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণী পৰে

# মৈৰাবাৰীত সজাগতাৰ পদযাত্ৰা এ. বি. ডি গ্ৰু'পৰ

**ই-সংবাদ, মৈৰাবাৰী, ১২ জানুৱাৰীঃ** কেইদিনমান পূৰ্বে মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ একাংশ সমাজসেৱী যুৱক প্ৰচেষ্টাত গঢ়ি উঠিছিল স্বেচ্ছাসেৱী সংগঠন এ. বি. ডি গ্ৰু'পৰ ।মৈৰাবাৰী প্ৰেছ ক্লাৱৰ প্ৰেক্ষাগৃহত মৈৰাবাৰী আৰক্ষী থানাৰ আৰক্ষী বিষয়া পঙ্কজ দাসৰ লগতে অঞ্চলটোৰ বহু কেইজন গণ্য মান্য ব্যক্তি সকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা এটা গাম্ভীৰ্যপূৰ্ণ সভাত সভাপতি আকতাৰুল হক আৰু সম্পাদক ছাব্বিৰ হুছেইন লৈ সমিতি গঠন কৰা হয়। বিগত কিছুদিন ধৰি এ. বি. ডি গ্ৰুপে মৈৰাবাৰীৰ বিভিন্ন অঞ্চলত তেজ দান সন্দৰ্ভত সজাগতাৰ উদ্দেশ্যি সজাগতা সভা অনুষ্ঠিত কৰি অহাৰ সমান্তৰালকৈ দেওবাৰে পুৱাই এক বিশাল পদযাত্ৰাৰে অঞ্চলটোৰ অলিয়ে গলীয়ে শোভাযাত্ৰা উলিয়াই। মৈৰাবাৰী প্ৰেছ ক্লাৱ এ বি ডি গ্ৰুপৰ অস্থায়ী কাৰ্যালয়ৰ পৰা পদযাত্ৰা উলিয়াই বৃহত্তৰ অঞ্চলটোৰ কেইবাটাও ঠাইক সামৰি হাঁহচৰা বজাৰত সজাগতা সভা অনুষ্ঠিত কৰা হয়। পদযাত্ৰাটোৰ ফ্লেগমাৰ্চ কৰি শুভাৰম্ভ কৰে মৈৰাবাৰী চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত চিকিৎসক সঞ্জয় কুমাৰ পাতৰে, লগতে এই পদযাত্ৰাত মৈৰাবাৰী চিকিৎসালয়ৰ চিকিৎসক ডাঃ আশ্ৰাফুল হকৰ লগতে মৈৰাবাৰী বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক কমৰুল ইছলাম, মৈৰাবাৰী প্ৰেছ ক্লাৱৰ কাৰ্যকৰী সভাপতি বদৰুজ জামান আকতাৰ। এই পদযাত্ৰাত আৰাম্ভনি পৰা মৈৰাবাৰী আৰক্ষী থানাৰ এটি আৰক্ষী দলৰ লগতে কেইবাজনো চিকিৎসাকৰ্মী সক্ৰিয় সহযোগ কৰে। এবিডি গ্ৰোপ অসমৰ সভাপতি আক্তাৰুল হক সম্পাদক ছাব্বিৰ হুছেইন, সঞ্চালক আৰিফ উজ জামানকে ধৰি গ্ৰোপৰ সদস্য সদস্যা সকলে সহযোগ কৰে। পদযাত্ৰাৰ অন্তত হাঁহচৰা ৰ নৱ প্ৰজন্মৰ বহু কেইবাজনো যুৱকে এ বি ডি গ্ৰোপৰ সদস্য পদ গ্ৰহণ কৰে।

# লাহোৱালত ভোগালীক আদৰাৰ ব্যাপক প্ৰস্তুতি



**ই সংবাদ, চাবুৱা-লাহোৱাল, ১২ জানুৱাৰীঃ** পথাৰৰ লখিমীৰে ভঁৰাল ভৰিল, আকৌ আহি পালেহি হেঁপাহৰ ভোগালী। মাঘৰ বিহুক লৈ উখল-মাখল ৰাজ্য। ৰাজ্যত এতিয়া ভোগালীৰ উছাহ। পিঠা-লাডুৰ পৰা চিৰা সান্দহলৈ.. আখলত জীয়ৰী-বোৱাৰীৰ ব্যস্ততাৰ অন্ত নাই। গাঁৰৰ ঘৰে ঘৰে ঢেঁকীৰ শব্দ, বিভিন্ন পিঠাৰ ভিন্ন গোন্ধ। তাৰ সমান্তৰালকৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ডিব্ৰুগড় লাহোৱালত ভোগালীক আদৰাৰ ব্যাপক প্ৰস্তুতি চলিছে। লাহোৱালৰ ডিব্ৰুৱাল গাঁও, ডিব্ৰুৱাল চাংমাই গাঁও, বকুল কাঠগাঁৱত ভোগালীক আদৰাৰ ব্যাপক এতিয়া প্ৰস্তুতি চলিছে। আজি গাঁওকেইখনৰ ভেলাঘৰত গৈ ভোগালী বিহুৰ প্ৰস্তুতি সম্পৰ্কে বুজ লৈছে সমাজকৰ্মী ডও দয়ানন্দ শ্বাহে। ডও শ্বাহে সমূহ অসমবাসীৰ লগতে লাহোৱালবাসী ৰাইজক ভোগালী বিহুৰ আন্তৰিক শুভেচ্ছা জনাইছে।

# চাবুৱাৰ সৰবৰহী ধৰ্মপ্ৰাণ মহিলা প্ৰতিমা গোহাঁইৰ মৃত্যুত শোক

**ই সংবাদ, চাবুৱা-লাহোৱাল, ১২ জানুৱাৰীঃ** চাবুৱাৰ ৰহমৰীয়া মৌজাৰ বগৰীতলীয়া গাঁৰৰ নিবাসী, সৰবৰহী ধৰ্মপ্ৰাণ মহিলা তথা বগৰীতলীয়া আধাৰ সত্ৰৰ খাটনিয়াল বলিন গোহাঁইৰ পত্নী প্ৰতিমা গোহাঁইৰ ১০ জানুৱাৰীত ৭৮ বছৰ বয়সত দেহাৱসান ঘটে। তেওঁৰ মৃত্যুত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ৰিতুপৰ্ণ বৰুৱা, অল ইণ্ডিয়া জাৰ্নেলিষ্ট ইউনিয়নৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি দিবাকৰ দত্ত, মুখ্য সম্পাদক তপন কুমাৰ শইকীয়াই গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায়। মৃত্যুৰ সময়ত তেওঁ স্বামী, তিনিজন পুত্ৰ-বোৱাৰী, ছয় গৰাকী জীয়াৰী,



নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক এৰি থৈ যায়। উল্লেখ যে ৰহমৰীয়া গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি জিতুল গোহাঁইৰ মাতৃ আছিল সদ্যপ্ৰয়াত প্ৰতিমা গোহাঁই।

# বাহুবলেৰে ভাতৃৰ মাটি বেদখল! নিজ সন্তানক চিকিৎসা কৰিব নোৱাৰি উচুপিছে ভাতৃয়ে

**ই-সংবাদ, গোলকগঞ্জ, ১২ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি ৰাজহ চক্ৰৰ অন্তৰ্গত ঝসকাল তৃতীয় খণ্ড গাঁৱত নিজ ভাতৃয়ে ভাতৃৰ খেতি মাটি বাহু বলেৰে বেদখল কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব দিয়া মতে, গাঁও খনৰ ৭১৬ পুৰণি দাগৰ সাৰে তিনি মাটি নফছাৰ আলীৰ সাত ভাতৃয়ে ক্ৰয় কৰিছিল। ইয়াৰে দুই বিঘা দহ লেচা মাটি ক্ৰয় কৰে বাবলু আলী, হজৰত আলী আৰু দেৱান আলীয়ে ।নিজ অংশ ভাগ বটোৱাৰা কৰি নি সকলোৱে ইমান দিনে শান্তিপূৰ্ণ ভাৱে খেতি কৰি সংসাৰ পোহপাল দি আহিছিল। জেষ্ঠ ভাতৃ নফছাৰ আৰ্থিক ভাবে টনকিয়াল তদুপৰি পঞ্চম ভাতৃ নাজিৰ আলীৰ পুত্ৰ সেনা বাহিনীত যোগদান কৰাত আৰ্থিক ভাবে তেওঁ স্বচ্ছল হৈ পৰে। বাহু বলৰ লগতে ধন বল বৃদ্ধি হোৱাত স্বেচ্ছাচাৰি হৈ পৰে। নিজৰ ভাগৰ লগতে জোৰজবস্তি বাবলু, দেৱান আৰু হজৰতে ক্ৰয় কৰা মাটিৰ সমান ভাগ দাবী কৰে। দিবলৈ অস্বীকাৰ কৰাৰ বাবে বিভিন্ন দাবী ধমকি দিয়ে। ২২৯ , ১৭৭৩, ৭৩৮ , ৮১০ দাগৰ মাটিৰ ক্ষেত্ৰতো একে নীতি চলাই আছে। উক্ত খেতি মাটিত কাকো খেতি কৰিব যাব লৈ নিদিয়ে। কোনোবাই পথাৰত নামিলে হত্যাৰ ভাবুকি দিয়াৰো অভিযোগ উত্থাপিত হৈছে। নিৰ্দিষ্ট স্থানত ঘৰ নিৰ্মাণ কৰিও ঘৰত সোমাবলৈ কোনোৱে সাহস গোটাব পৰা নাই। ফলত মাটিবোৰ এনেই ছন পৰি আছে আৰ্থিক অভাৱত অইনলোকক মাটি বন্ধকতো থব পৰা নাই। কোনোবাই বন্ধকত ললে নফছাৰ আৰু নাজিৰে আগতে পথাৰত নামিবলৈ বাধা দি আহিছে। উল্লেখ্য যে দেৱান আলীৰ আৰ্থিক অৱস্থা শোচনীয় আৰু তেঁৱৰ পুত্ৰ সন্তানো নাই। এই সুযোগ গ্ৰহণ কৰিছে ধন বল বাহু বলেৰে বলীয়ান নফছাৰ আৰু নাজিৰ। চৰম পৰিতাপৰ বিষয় যে ষষ্ঠ ভাতৃ মহিৰ আলীৰ ১৮ বছৰীয়া পুত্ৰ সন্তানটো ডেৰ বছৰ ধৰি জটিল ৰোগত আক্ৰান্ত হৈ আছে। অসম তথা বহি:ৰাজ্যৰ বিভিন্ন স্থানত চিকিৎসা কৰি জুৰুলা হৈ পৰিছে।

# টাং ছু ডুত ৰিহান আহমেদ, চাহিল হকৰ বৃহৎ সফলতা

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১২ জানুৱাৰীঃ** কামৰূপ জিলাৰ মান্দাকাটাৰ লাহিৰাম কাকতি টাং ছু ডু স্পৰ্টছ ক্লাৱৰ দুই ছাত্ৰ ৰিহান আহমেদ আৰু চাহিল হকক বিজেপি বেজেৰা মণ্ডল সংখ্যালঘু মৰ্চাৰ তৰফৰপৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। দিল্লীত অনুষ্ঠিত টাং ছু ডু প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰি সফলতা লাভ কৰা ছাত্ৰ দুগৰাকীক বুধবাৰে বেজেৰা মণ্ডল সংখ্যালঘু মৰ্চাৰ সভাপতি আমিনুল হকৰ উপস্থিতিত তেওঁলোকৰ বাসগৃহত এই সম্বৰ্ধনা জ্ঞাপন কৰা হয়। প্ৰাপ্ত বাতৰি অনুসৰি দিল্লীত অনুষ্ঠিত ১১ সংখ্যক ৰাষ্ট্ৰীয় টাং ছু ডু প্ৰতিযোগিতা ২০২৪-২৫ ত দক্ষিণ মান্দাকাটাৰ ৰহিমুদ্দিন আহমেদ আৰু মাজনী বেগমৰ প্ৰথম সন্তান ৰিহান আহমেদে ৩৮ কেজি শাখাত অংশগ্ৰহণ কৰি এটা সোন আৰু এটা ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। একেদৰে দক্ষিণ মান্দাকাটাৰ ফখৰুদ্দিন আহমেদ আৰু জুনুমা বেগমৰ সন্তান চাহিল হকে ১৯ বছৰ অনুৰ্ধত অংশগ্ৰহণ কৰি ফাইটিঙত সোন,বৰ্ড ব্ৰেকিঙত সোন আৰু কাটাত ব্ৰঞ্জ পদক লাভ কৰিবলৈ সক্ষম হয়। ৰিহান মান্দাকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ। আনহাতে চাহিল হক উদয়ন শান্তি নিকেতনৰ একাদশ শ্ৰেণীৰ ছাত্ৰ। ছাত্ৰ দুগৰাকীৰ এই সফলতাত উৎফুল্লিত হৈ পৰিছে বৃহত্তৰ মান্দাকাটা অঞ্চলৰ ৰাইজ।

# ৰাষ্ট্ৰীয় ৰোল বল প্ৰতিযোগিতাত অসমৰ সাফল্য

**ই-সংবাদ, ডিব্ৰুগড়, ১২ জানুৱাৰীঃ** ১৬ সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ ৰোল বল চেম্পিয়নশ্বিপ ৯ৰ পৰা ১১ জানুৱাৰীলৈকে অন্ধ্ৰ প্ৰদেশৰ কুৰ্নুল চহৰত অনুষ্ঠিত হয়। কুৰ্নুলত অনুষ্ঠিত চেম্পিয়নশ্বিপত ভাৰতৰ কেবাখনো ৰাজ্যৰ ১৭ বছৰ অনুৰ্ধৰ পুৰুষ-মহিলাৰ দলে খেলত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। এই প্ৰতিযোগিতাত অসম দলে শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সমৰ্থ হয়। অসম মহিলা দলে ৰাজস্থান দলক ৪-২ গ'লত পৰাস্ত কৰে আৰু বিজয়ী হয়। অসম ৰাজ্যিক দলৰ অধিনায়ক উদিতা শৰ্মাৰ উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে বহু শুভাকাংক্ষীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে। উদিতা শৰ্মা ডিব্ৰুগড়ৰ জালান কটলা নতুন বজাৰৰ বাসিন্দা সুভাষ শৰ্মা আৰু অৰ্চনা শৰ্মাৰ কন্যা। অসমলৈ সুনাম কঢ়িয়াই অনাৰ বাবে শুভাকাংক্ষী আৰু ডিব্ৰুগড়ৰ দল সংগঠনে উদিতাক অভিনন্দন জ্ঞাপন কৰিছে।




ভাৰতৰ বিৰুদ্ধে দ্বিতীয় মহিলা এদিনীয়াত আয়াৰলেণ্ডৰ ছাৰা ফৰ্বছৰ দৰ্শনীয় শ্বট, ৰাজকোটত দেওবাৰে

## চলিত বৰ্ষত সমগ্ৰ বিশ্বৰ প্ৰতিখন চহৰতে বৃদ্ধি পাব যান-জঁট

# দেশৰ যান-জঁটপূৰ্ণ চহৰৰ তালিকাত শীৰ্ষ স্থানত কলকাতা

**কলকাতা, ১২ জানুৱাৰীঃ** মাত্ৰ ২৩ ছেকেণ্ডত বাংগালুৰুক চেৰ পেলাই ২০২৪ বৰ্ষৰ ভাৰতৰ আটাইতকৈ যানজঁটপূৰ্ণ চহৰ হিচাপে পৰিগণিত হ'ল কলকাতা। ডাচ লোকেশ্যন টেকনলজি বিশেষজ্ঞ টমটমৰ ট্ৰেফিক সূচকাংক অনুসৰি ২০২৩ চনত সৰ্বাধিক যানজঁটৰ চহৰৰ শীৰ্ষত আছিল বাংগালুৰু, কিন্তু এইবাৰ বাংগালুৰুক চেৰ পেলাই শীৰ্ষত স্থান লাভ কৰিছে কলকাতাই। প্ৰতিবেদন অনুসৰি ২০২৪ চনত কলকাতাত ১০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিবলৈ গড়ে ৩৪ মিনিট ৩৩ ছেকেণ্ড সময় লাগিছিল। আনহাতে বাংগালুৰুত এই দূৰত্ব অতিক্ৰম কৰিবলৈ সময় লাগিছিল ৩৪ মিনিট ১০ ছেকেণ্ড। কলকাতাৰ গড় গতিবেগ প্ৰতি ঘণ্টাত ১৭.৪ কিলোমিটাৰ, অৱশ্যে এয়া বাংগালুৰুতকৈ কিছু কম। ইফালে যানজঁটৰ চহৰৰ বিশ্ব তালিকাত কলকাতা আছে দ্বিতীয় স্থানত আৰু তৃতীয় স্থানত আছে বাংগালুৰু। প্ৰথম স্থানত কলম্বিয়াৰ বাৰাংকুইলা, য'ত ১০ কিলোমিটাৰ যাত্ৰা কৰিবলৈ গড়ে ৩৬ মিনিট সময় লাগে, আৰু গড় গতিবেগ প্ৰতি ঘণ্টাত মাত্ৰ ১০.৩ কিলোমিটাৰ। ভাৰতৰ আন কেইবাখনো ডাঙৰ চহৰ যেনে পুনে, হায়দৰাবাদ, চেন্নাই আৰু মুম্বাইও এই তালিকাত আছে। চতুৰ্থ স্থানত আছে পুনে, য'ত ১০ কিলোমিটাৰ যাত্ৰা কৰিবলৈ গড়ে ৩৩ মিনিট ২২ ছেকেণ্ড সময় লাগিছিল। কিন্তু আশ্চৰ্যজনকভাৱে ৰাজধানী দিল্লী যানজঁটৰ ক্ষেত্ৰত ভাৰতৰ তালিকাত ১০ নম্বৰ আৰু বিশ্বৰ ১২২ নম্বৰ স্থানত আছে। টমটমৰ প্ৰতিবেদনত দেখা গৈছে যে ২০২৫ চনত সমগ্ৰ বিশ্বতে যান-জঁট বৃদ্ধি পাব। মুঠ ৫০০খন চহৰৰ ভিতৰত ৭৬ শতাংশ চহৰত পূৰ্বৰ তুলনাত বাহনৰ গতি হ্ৰাস পাইছে। বিশেষজ্ঞসকলৰ মতে ভাৰতত যান-বাহনৰ ক্ষেত্ৰত অধিক উন্নয়নৰ প্ৰয়োজন।


## অসমবাসী ৰাইজলৈ ভোগালী বিহুৰ আন্তৰিক শুভেচ্ছা



**ৰূপম কোঁচ**
সভাপতি,
সদৌ কোঁচ-ৰাজবংশী ছাত্ৰ সন্থা,
ডিব্ৰুগড় জিলা সমিতি

সমূহ ৰাইজক ভোগালী বিহুৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। অসমৰ প্ৰতিটো পৰিয়ালত সুখ, শান্তি ভৰি পৰক। আমি অসমীয়া মানুহে জানো যে হেঁপাহৰ ভোগালী বিহু মানেই লগে-ভাগে তৃপ্তিৰে এসাজ খোৱাৰ পৰম্পৰাই অসমীয়া জাতিটোক সম্প্ৰীতিৰ এনাজাৰীৰে বান্ধি ৰাখিছে। আমি আশা কৰিছো যে এইবেলিও অসমীয়াই উৰুকাৰ নিশা লগে-ভাগে এসাজ খাই জাতিটোৰ সম্প্ৰীতিৰ এনাজৰীডাল কটকটীয়া কৰাৰ সংকল্প ল'ব। মাঘবিহুৰ উৰুকাৰ পৰাই বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমিলমিল বাঢ়ক। মেজিৰ জুইৰ উম লৈ অসমীয়াই জাতিটোক শক্তিশালী কৰাৰ পণ লওক। বিজতৰীয়া আদৱ-কায়দা, সংস্কৃতি, খাদ্যভ্যাস পৰিহাৰ কৰাৰ পণ লওক। খেতিমাটি ডৰাৰ কোনো বণিয়াক বিক্ৰী নকৰো বুলি পণ লওক। খেতিডৰাত নিজেই খেতি কৰাৰ পণ লওক। মেজিৰ জুইকুৰাই সমাজখনৰ পৰা হত্যা-হিংসা, অসূয়া আতৰ কৰক। কৃষিজীৱি অসমীয়া সমৃদ্ধিশালী আৰু কৰ্মঠ হওক। তাৰেই আশা কৰিছো।


newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি